ভগবানৰ অৱতাৰ স্বৰূপ । সেই কাৰণেই গুৰু চৰিত মালাত লিখকসকলে মহাপুৰুষৰ গাত ঐশ্বৰিক শক্তি কিছুমান দেখুৱাবলৈ চেষ্টা কৰা দেখা যায়। নহলে সৰ্ব্বসাধাৰণে তেওঁসকলৰ মহত্ব উপলব্ধি কৰিবলৈ টান পায় । গতিকে চৰিত সাহিত্যৰ বিষয় বস্তু যাবতীয় হলেও ই একেবাৰে আলৌকিকতাৰ প্ৰভাৱৰ পৰা মুক্ত নহয় । চৰিত সাহিত্যত থকা এই আলৌকিকতাৰ পৰাও আমি সেই সময়ৰ অসমীয়া সমাজৰ ধৰ্ম্ম বিশ্বাস সম্বন্ধে কিছু আভাস পাব পাৰো । শঙ্কৰ মাধৱৰ সময়ৰ অসমীয়া সমাজ ধৰ্ম্মৰ ক্ষেত্ৰত বিশেষ ধৰণে উন্নতি-শীল বুলি কব নোৱাৰি । সেই সময়ৰ সমাজত ধৰ্ম্মৰ নামত যে ব্যাভিচাৰ চলিছিল, তাৰো দুই এটা উদাহৰণ কথা গুৰু চৰিতত পোৱা যায় । বিভিন্ন দেৱ-দেৱীৰ পূজা বলিবিধান আদিৰো প্ৰচলন আছিল। আনকি শঙ্কৰদেৱৰ পূৰ্ব্ব পুৰুষসকলেও পুত্ৰ লাভৰ কাৰণে বিভিন্ন দেৱ-দেৱীক পূজা কৰাৰ কথা পোৱা যায়। চণ্ডী পূজা যে বৰ্জা মহাবৰ্জা আৰু জনসাধাৰণৰ মাজত প্ৰবলভাৱে চলিছিল তাৰো প্ৰমাণ পোৱা যায়। কামেশ্বৰ দুৰ্লভ নাৰায়ণে চণ্ডীপূজা কৰিছিল ; শঙ্কৰদেৱৰ গুৰু মহেন্দ্ৰ কন্দলি আনকি মহাপুৰুষ মাধৱদেৱও ঘোৰ দেৱীপূজক আছিল । শঙ্কৰদেৱৰ দ্বিতীয় পত্নীয়েও বান্ধনী ঘৰতে বেদী বান্ধি আন দেৱীক পূজা কৰিছিল। গোবিন্দ আতৈও পোন প্ৰথমতে দেৱী পূজক আছিল। ইয়াৰ পৰা কব পাৰি যে, সেই সময়ৰ অসমীয়া সমাজত শক্তি পূজাই বিশেষ ভাৱে স্থান লাভ কৰিছিল। আকৌ দেৱীক সন্তুষ্ট কৰিবলৈ, হাঁহ পাৰ, ছাগলী আদিও বলি দিয়া হৈছিল । কামনা বাসনা চৰিতাৰ্থ কৰিবৰ প্ৰয়াসেৰে যে এই পূজা কৰা হৈছিল ই নিশ্চিত । চৰাচৰ বিশ্বজুৰি যিজন পৰমেশ্বৰৰ মহিমা বিয়পি আছে ; সেইজনক সেই সময়ৰ সমাজে উপলব্ধি কৰিবলৈ হয়তো পৰা নাছিল । বাহ্যিক আৰম্বৰপূৰ্ণ আৰু আন্তৰিকতাশূন্য ধৰ্ম্মই জনগণৰ নৈতিক অধঃপতনৰ পথ সুগম কৰি তুলিছিল । কিন্তু এইটোও সচাঁ যে কৃষ্ণ ভক্তিৰ সোঁতে মানুহৰ ভাব ৰাজ্যত এটি খল-কণিৰ সৃষ্টি কৰি থৈ গৈছিল । ধৰ্ম্ম আৰু ভাৱধাৰাৰ এনে এটি সংকটপূৰ্ণ মুহূৰ্ত্তত শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ বৈষ্ণৱ ধৰ্ম্মই অসমীয়া সমাজৰ ওপৰত এটি কালজয়ী আলোড়ণৰ সৃষ্টি কৰিছিল । তেওঁৰ অসাধাৰণ ব্যক্তিত্ব আৰু ধৰ্ম্মনীতিৰ উদাৰতাই মানুহক মুগ্ধ কৰিছিল। শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম্মক জনসাধাৰণৰ ধৰ্ম্ম ৰূপে প্ৰতিষ্ঠা কৰিবলৈ ভাওনাৰ সৃষ্টি কৰিলে—নামঘৰ সাজিলে । অসমৰ গাৱেঁ ভূঞেঁ নগৰে নগৰে কৃষ্টিৰ কঠিয়া গাজি উঠিল । তেখেতে প্ৰতিষ্ঠা কৰি থৈ যোৱা সত্ৰ আৰু নাম ঘৰসমূহে যে কৃষ্টি কলাৰে উৎকৰ্ষ সাধিলে এনে নহয় ; সেইবোৰে একোখন সামাজিক অনুষ্ঠান হিচাবে সিদিনাৰ পৰা আজিলৈ পৰিগণিত হৈ আহিছে ।

শঙ্কৰদেৱৰ প্ৰচাৰিত ভক্তি ধৰ্ম্মই জাতি ধৰ্ম্ম নিৰ্ব্বি-শেষে সকলোকে পৰশিলে । চণ্ডাল, চাৰল আদি সকলো জাতিৰ মানুহে সাদৰে এই ধৰ্ম্ম সহজে গ্ৰহণ কৰে। শঙ্কৰদেৱৰ কাপোৰ ধোৱা তিৰোতা গৱাকীয়েও ব্ৰাহ্মণে নজনা গীতাতত্ব ব্যাখ্যা কৰিব পাৰিছিল । ডাউকী গাৱৰ বুঢ়া বুঢ়ীৰ কাহিনীৰ পৰা জনা যায় যে বুঢ়ীয়ে ঘৰত কাম কৰে আৰু বুঢ়াই গৈ সত্ৰত হৰি কথা শ্ৰৱণ কৰে । বুঢ়াই আহি বুঢ়ীৰ আগত গধূলি সেই কথা কয় তেতিয়াহে বুঢ়ীয়ে ভাত দিয়ে। এই কাহিনীটোৰ পৰা পৰিষ্কাৰকৈ জনা যায় যে, সেই সময়ৰ অসমীয়া সমাজৰ বুকুত ভক্তি ধৰ্ম্মই গভীৰ ভাৱে ৰেখা পাত কৰিছিল।

এক অদৃশ্য শক্তিৰ ওপৰত বিশ্বাস কৰিলে আজিও আমাৰ ব্যৱহাৰিক জীৱন অতিবাহিত হৈছে। সাংসা-ৰিক জীৱনৰ প্ৰতিটো খোজতে আমি সেই শক্তিক সোঁৱৰণ কৰো । কথা গুৰু চৰিত পুথিত শঙ্কৰ দেৱৰ উপৰি পুৰুষবোৰৰ ইতিবৃত্ত পঢ়িলে আমি পাওঁ যে গন্ধৰ্ব্ব গিৰিৰিৰ পত্নী " শশীপ্ৰাৱ" যেতিয়া কোনো সন্ততি নজন্মিল, দুয়ো স্বামী-স্ত্ৰীয়ে অতি দুখেৰে শ্ৰীৰামক চিন্তি মাগিলে ।" সেইমতে সাত মাহ পাচত এটি পুত্ৰ জন্মিল । নাম থলে ৰামগিৰি। এনেকৈয়ে সন্তান মাগা প্ৰথা আজিও অসমীয়া সমাজত প্ৰচলিত। নানদি অসমৰ পিনেমেজি পোৱতে নাৰী সমাজে আজিও অগ্নি দেৱতালৈ সন্তান কামনা কৰে । ওপৰত দিয়া উদাহৰণটোৰ উপৰিও কথা গুৰু চৰিতত এনে একা-ধিক নিৰ্দৰ্শন আছে । সন্তান জন্মৰ বেলিকা আমাৰ সমাজত ভালেমান উৎসৱ আৰু ৰীতি নীতিৰ আয়োজন কৰা হয় । এনে ধৰণৰ প্ৰথা মধ্যযুগৰ অসমীয়া সমাজৰ মাজতো প্ৰচলিত আছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম

হোৱাত ব্ৰাহ্মণ-সজনক দান দক্ষিণা কৰিলে, পাচ দিনৰ দিনা চোতালত পাঁচতি উছৱ কৰিলে, আৰু গণকক মাতি আনি 'কুষ্টি' কৰিছে। জন্মৰ দৰে বিবাহ, অন্নপ্ৰাসন্ন চুলাকৰণ আদি সামাজিক প্ৰথাসমূহ আমাৰ পুৰণি অসমতো আজিৰ দৰে চলি আছিল। শঙ্কৰদেৱৰ বাল্যলীলাৰ বিৱৰণে ইয়াৰ সুন্দৰ প্ৰমাণ আগবঢ়ায়। মৃত্যু কৰ্ম্মও হিন্দু শাস্ত্ৰমতে সেই যুগৰ সমাজত চলি থকাৰ উদাহৰণ পোৱা যায়। কথাগুৰু চৰিত মতে কুসুম্বৰ ভূঞা স্বৰ্গগামী হোৱাত শান্তী সন্ধ্যা আই স্বামী পদে অনুগামী হ'ল। "পাচে গুৰুজনে পিতৃৰ ক্ৰিয়া কৰ্ম্ম আচৰিলে ।" মাধৱদেৱৰ পিতৃ বিয়োগ হোৱাত মৃতকৰ্ম্মৰ কাৰণে প্ৰচুৰ পৰিমাণৰ দ্ৰব্যাদি যোগাৰ হোৱাৰ কথা গুৰু চৰিতত পাওঁ । মাধৱদেৱৰ হাতত কমকৈ থকা কাৰণে ধাৰ কৰি হলেও দহা শুদ্ধি আদি কাৰ্য্য সমাপন কৰিলে। এইবোৰ কাৰ্য্যত ব্ৰাহ্মণক দান-দক্ষিণা দিয়া, বাইজক খুওৱা আদি আজিৰ দৰে বাধ্যতা-মূলক আছিল। বাইজক অকল দালি ভাত খুৱালে, মাছ মাংসৰে ভালদৰে খুৱাব লাগিব । মাধৱদেৱৰ পিতৃৰ শুদ্ধি কৰ্ম্ম যোৱাত ভোজ উপলক্ষে এটি ভাবিলৈ মাছ বিচাৰি যোৱা, আৰু ""জালুক, মনী গন্ধ গাৰ্ঠি-য়ন দি, মাহ, মণ্ড মাটি পাচ খন আঞ্জাৰে ভোজ দিয়া কাৰ্য্যই এই কথা প্ৰমাণ দিয়ে । শ্ৰীশ্ৰীমাধৱদেৱৰ মাতৃৰ কৰ্ম্মলৈ এবাৰ ঠাকুৰ আতাই কলা বিচাৰি পথালি কুচি নামৰ ঠাইলৈ যোৱাৰ কথাও কথা গুৰু চৰিতত পাওঁ ।

ওপৰৰ দুটা দৃষ্টান্তৰ পৰা আমি সেই সময়ৰ অৰ্থ-নৈতিক আৰু মানুহৰ খাদ্য সম্ভাৰ সম্পৰ্কে কিছু কথা জানিব পাৰো । অসমীয়া লোকে যে নিজৰ ঘৰতে সকলো প্ৰকাৰৰ খেতি কৰি উপভোগ কৰিছিল আৰু সেইবোৰ বিক্ৰি কৰি নিজৰ খৰচ উলিয়াইছিল তাৰো কথা এই পুথিখনিয়ে কয় । মাছ মাংস আদি খাওঁতে হবেক ৰকমৰ মছলা আজিৰ দৰে সেই তাহানিৰ মানুহেও ব্যৱহাৰ কৰিছিল । তিৰোতাসকলে পাট পলু পুহিছিল, কপাহ ধুনি পাজি বটি কাপোৰ বইছিল । কাপোৰত আচুফুল তুলিবও পাৰিছিল। ছাঁতে সুকোৱা মুঠিতে লুকোৱা কাপোৰ বোৱা সেই সময়ৰ নাৰী সমাজে অৰ্থ-নৈতিক উন্নয়ণত এটি বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। বাহৰেতৰ কামো মানুহে কৰিবলৈ পাৰিছিল।

সেই সময়তো ধান টকা আদি বস্তু ধাৰে দিয়া হৈছিল । বৰং আজিৰ তুলনাত এই প্ৰথাৰ প্ৰচলন বেছিহে আছিল । বিনিময় প্ৰথাৰ সহায়ত মানুহে নিজৰ প্ৰয়োজনীয় বস্তু আনৰ পৰা আনিবলৈ পাৰিছিল।

আভিজাত্য, মধ্যবৃত্ত, বনুৱা আৰু লগুৱা-লিকচৌ আদি নানা শ্ৰেণীৰ কথা কথাগুৰুচৰিতত পোৱা যায় । ৰজাসকলৰ প্ৰভাৱ সকলোতে আছিল। ডাঃ কাকতিয়ে কোৱাৰ দৰে দাস বা চাকৰ নাকৰসমূহে গিৰিহঁতৰ পৰা সিমান ভাল ব্যৱহাৰ নাপাইছিল। পশ্চিমৰ পৰা ভাগৱত লৈ জগদীশমিশ্ৰ নামৰ এজন মানুহ যেতিয়া অসমলৈ আহিল তেওঁক অভূতপূৰ্ব্ব সন্মান দেখুৱাবৰ কাৰণে শঙ্কৰদেৱে সকলো প্ৰকাৰৰ চেষ্টা কৰিলে । "দুই চাকৰে পাও ধুৱালে ।" এই পাও ধুওৱা কথাই সেই সময়ৰ দাস দাসীবোৰৰ যে সমাজত মুঠেই স্থান নাছিল । এই কথাৰ ৰবকৈ প্ৰমাণ কৰে। এবাৰ ঠাকুৰ আতা পথালিকুচি নামৰ ঠাইলৈ যাওতে তাতে এঘৰৰ মানুহৰ ঘৰত বলোৰাম আতৈক লগ পালে । তেওঁ পাত্ৰ পাচঁ টকাত 'বান্ধা' আছিল। বলো-ৰামে চ'তমহীয়া ব'দত হাল বাই উঠি অতি পাত ভাগৰ লগাত নাঙলৰ ওপৰতে শুই আছিল। এই দৃশ্য দেখি ঠাকুৰ আতাই বলোৰামক সুধিলে "দলিতে নাঙল সিথানে শোৱ, ঘৰে কিয় নাযা ? " তেতিয়া বলোৰামে কলে "বাপমাৰে ভাত নিদিয়ে কাপৰ নাই, মাৰ বাপ কিছুই নাই কি সোধা আমাৰ দুখৰ বাৰ্ত্তা ?" কথা গুৰু চৰিতৰ এই দ্বিতীয় দৃশ্যটোৱে সেই সময়ৰ দাসত্ব প্ৰথাৰ উজ্বল নিদৰ্শন আমাৰ আগত দাঙি ধৰে।

ঠাকুৰ আতা, জয়ন্তি মধাই এই দুয়োজনে কুমাৰ কুচি, তান্তিকুচি, বামুনা, কমাৰকুচি, বঢ়িয়া আদি উত্তৰ কামৰূপৰ গাওঁবোৰ ভ্ৰমণ কৰাৰ কথা গুৰু চৰিতত পোৱা যায় । তেখেতসকলৰ এই ভ্ৰমণ বৃত্তান্ততো সেই ঠাইবোৰৰ একোটি চমু অথচ জীৱন্ত বিৱৰণ আমি পাওঁ । কোনো ঠাইত তেখেতসকলে গৰখীয়া লৰাই গীত গাই গৰু চৰা দেখিছে, কোনো বিল বা পুখুৰীৰ পাৰত তিৰোতাসকলে অসংযত ভাবে কাপোৰ ধোৱা দেখিছে, আকৌ শইচৰ মাজেৰে যাওঁতে কোনোবা চেঙেলীয়া লৰাই বা তেখেতসকলক গালিয়ে পাৰিছে । এইবোৰ চিত্ৰই গ্ৰাম্য সমাজ একোখনৰ ইতিহাস আমাক দেখুৱাই দিয়ে ।

তামোল পান সেই সময়ৰ অসমীয়া বাইজৰ মনতো অতি মূল্যবান বস্তু আছিল। চৰা ঘৰ বৰ ঘৰ বান্ধনি ঘৰ আদি হৰকে ৰকমৰ ঘৰ সাজি, বাৰীত তামোল পাণ আম কঠাল, লাউ কোমোৰা আদি গছ গছনী কৈ অসমীয়া বাইজে সুখে সন্তোষে বাস কৰিছিল। এদিন শঙ্কৰ গুৰুৱে এজন শিষ্যৰ ঘৈতে গৈ থাকোতে ৰবঘুণ দিয়াত এঘৰ ক্ষত্ৰিয়ৰ ঘৰত সোণালগৈ আৰু মুধৰ শিলৰ খুটা এটাত আউজি জিৰণি ললে। গৃহিনী জনীয়েও মূৰত ওবণি লৈ দুয়োজনক শুশ্ৰূষা কৰিলে। আহিবৰ সময়ত তিৰোতা গৰাকীয়ে টকা পাঁচটা কাপোৰ এযোৰ যি সেৱা কৰিলে, আৰু কলে, "তোম্ৰা পূৰ্ণ ব্ৰহ্ম দৈৱকী তনয় গোকুলৰ সুত কানাই আমি কেনেকৈ ৰাখিম খালি গৃহত ? আপুনি বা ব'ৰ কিয় "শঙ্কৰ দেৱৰ ওপৰত কৃষ্ণৰ মহিমা আৰোপ কৰি কোৱা এজনী আজলি ৰমনীৰ বিনয়সূচক বাণী আৰু অতিথি সৎকাৰে সেই যুগৰ অসমীয়া সমাজৰ আতিথ্য পৰায়ণতাৰ কথা সোৱঁৰায়।

নতুন ঘৰ লৰৰ দিনা সেই ঘৰৰ তলত নাম কীৰ্ত্তন হোম পাঠ আদি কৰা নিয়ম সেই সময়ৰ অসমীয়া সমাজৰ মাজতো আজিৰ দৰেই প্ৰচলিত আছিল। এবাৰ গোপাল আতাই গুৰুৰ আদেশমতে এটা ঘৰ সাজিলে। চাঙ্গ, চিলিঙ্গা, ওটা, শোৱা চাঙ্গ, খৰিচাঙ্গ তিনি পক্ষে কৰি, লৰলৈ মাহ, চাউল, লাৰু কৈ ভক্ত সমে গুৰু জনক নিজে গৈ নামকীৰ্ত্তনকে আশীৰ্ব্বাদ দি খাই গুৰু জনে বোলে গোপাল—ন গৃহত বসাই ছানি, দখিনা দিব নালাগে ?" এই উদাহৰণটোৰ পৰা ভালদৰে জনা যায় যে, সেই কালতো নতুন ঘৰত বাস কৰাৰ আগতে নাম কীৰ্ত্তন, হোম পাঠ আদি কাৰ্য্য সমাপন কৰিছিল।

তিৰোতাক শৰণ দিয়া প্ৰথা তেতিয়াও প্ৰচলিত আছিল। সন্ত মহন্ত আৰু গুৰু গোসাইক সিধা দিয়াৰো নিয়ম আছিল। সমাজত সন্ত মহন্ত আৰু গুৰুসকলৰ স্থান সবাতকৈ ওখত আছিল।

সেই সময়ৰ সমাজ ধানে ধনে ঐশ্বৰ্য্যশালী হলেও মাজে সময়ে বান পানী, অতিবৃষ্টি, অনাবৃষ্টি আৰু অকাল বৃষ্টি আদি প্ৰাকৃতিক দুৰ্য্যোগসমূহে মানুহৰ সোণৰ সপোন যেন ভাঙি দিছিল। দেশত খাদ্য সংকটে দেখা দিয়াৰ ফলত মানুহৰ নৈতিক বল যেন হেৰুৱাই গৈছিল। এইবোৰ কাৰণেই হওক বা এনেয়ে হওক, দেশত নিবনুৱা ভিকাৰী, চোৰ ডকাইত আদি বিভিন্ন প্ৰকাৰৰ মানুহ আছিল। এদিন শঙ্কৰদেৱৰ শিষ্য সকলোৰে সৈতে গৈ থাকোতে এখন হাবিৰ পৰা কোনো ডকাইতে এচটা ইটা মাৰি বলোৰাম আতৈৰ মূৰত আঘাত কৰা ঘটনাৰ পৰাই এই কথাৰ প্ৰমাণ পাওঁ। সেই সময়তো কঠোৰ শাস্তি বা দণ্ড দিয়া হৈছিল। এবাৰ গোবিন্দ আতৈয়ে কুহিয়াৰ তলিত বৰ বখি থাকোতে পশু বুলি ক'লা গৰু এটা হানিলে, আৰু গৰুটো মৰিল। গোবিন্দ আতৈৰ গুৰুতৰ দণ্ড হ'ল।

সেই সময়ত কোনো ডাক্তৰ কবিৰাজ বা উপযুক্ত ঔষধ পাতি নাছিল। বেমাৰ আজাৰ হলে মানুহে খোৱা লোৱাত কম নকৰিছিল। এবাৰ জয়ানন্দ আতৈ নৰিয়াত পৰিল। আতৈসকলে তেওঁক এই বুলি উপদেশ দিলে, "আতৈ ভাত নেৰিব। ভাতেহে বল শক্তি। গাত বল শক্তি থাকিলে যে বেমাৰে বলে নোৱাৰে এই কথা বুজিয়েই আতৈসকলে এই উপদেশ দিছিল। মানুহে খুব কমকৈহে বেমাৰ ভোগ কৰিব লাগিছিল। সুন্দৰ খাদ্যসম্ভাৰে তেওঁলোকক অমূল্য স্বাস্থ্য দান কৰিছিল। অসুখ-বিসুখত হলে বনৌষধ খায় আৰু অতি মাত্ৰা বেমাৰ-আজাৰ হলে ভালে থকাতকৈও বেছিকৈ খায় ৰোগৰ উপশম কৰা দেখা যায়।

শিক্ষা বা জ্ঞান লাভৰ প্ৰতি একাগ্ৰতা সেই সময়ৰ অসমীয়া মানুহৰ মনৰ মাজতো পূৰ্ণোদ্যমে আছিল। আৰ্থিক অৱস্থা ভাল থকা কাৰণেই মানুহে শিক্ষা দীক্ষা আৰু কৃষ্টি কলালৈ মন দিব পাৰিছিল। শঙ্কৰ দেৱ আৰু মাধৱৰ দ্বাৰা বিৰচিত অংকীয়া নাট অভিনীত হৈছিল আৰু সেই অভিনয় স্খলিত সকলোৱে গৈ অভিনয় উপভোগ কৰিছিল। শ্ৰীমন্ত শঙ্কৰ মাধৱে ধৰ্ম্ম প্ৰচাৰৰ চলেৰে এইদৰে অসমীয়া মানুহক কলাৰ প্ৰতিও আকৃষ্ট কৰি তুলিছিল। সেই সময়ত আজিৰ দৰে স্কুল কলেজ নাছিল যদিও গাওঁ আৰু নগৰবোৰত বাইজৰ দানেৰে কিছুমান টোল খোলা হৈছিল। এই টোলবোৰত ছাত্ৰ সকলে বাস কৰি সংস্কৃত ব্যাকৰণ কাব্য, অলংকাৰ আদিৰ উপৰিও বেদ পুৰাণ আদিও পঢ়িব পাৰিছিল। প্ৰাচীন ভাৰতীয় শিক্ষানীতিৰ আদৰ্শত গঢ়ি উঠা এই টোলবোৰে শিক্ষা প্ৰচাৰত এক বিশিষ্ট

ভূমিকা গ্ৰহণ কৰিছিল। উত্তৰ কামৰূপ সংস্কৃত শিক্ষাৰ প্ৰধান কেন্দ্ৰ আছিল । আজিও এনে ধৰণৰ কিছুমান টোল উত্তৰ কামৰূপৰ ঠায়ে ঠায়ে থকা টোলবোৰত শিক্ষা দান কাৰ্য্য চলিয়ে আছে। নলবাৰীত থকা সংস্কৃত কলেজ আৰু ইয়াৰ গ্ৰন্থাগাৰটোয়ে আজিও সংস্কৃত শিক্ষাৰ প্ৰসাৰত অশেষ অৱদান আগবঢ়াইয়ে আছে ।

শ্ৰীমন্ত শঙ্কৰদেৱেও বৰদোৱাত মহেন্দ্ৰ কন্দলীৰ টোলত শিক্ষা লাভ কৰিছিল। শঙ্কৰদেৱক টোললৈ পঠাই শিক্ষিত কৰিবৰ কাৰণে বুঢ়ী মাক খেৰশুতীয়ে চেষ্টাৰ ক্ৰুটি কৰা নাছিল। তথাপিও শঙ্কৰদেৱে প্ৰায়ে টোললৈ নগৈছিল আৰু ভণ্টা খেলিয়ে সময়বোৰ কটাইছিল। এদিন বুঢ়ীমাকে শঙ্কৰদেৱৰ ওপৰত খঙ কৰি বিদ্যাৰ গুণ এইদৰে বৰ্ণনা কৰিছিল, "ৰাজাক স্বদেশে পূজে বিদ্যাৱন্ত সৰ্ব্বদেশে পূজ্য । "এজনী সাধাৰণ বুঢ়ীৰ এনে আদৰ্শমূলক বাক্যই শিক্ষাৰ প্ৰতি থকা একাগ্ৰতাৰ কথাকে সোঁৱৰায় । মাধৱদেৱেও বাণ্ডুকাত ৰাজেন্দ্ৰ অধ্যাপকৰ টোলত পঢ়িছিল। টোল বিলাকত ছাত্ৰৰ উপৰিও বয়সীয়া মানুহেও অধ্যয়ন কৰিব পাৰিছিল ।

এইদৰে কথা গুৰুচৰিত পুথিৰ মাজেৰে এখন সহজ সৰল অসমীয়া সমাজৰ প্ৰতিচ্ছবি আমি দেখিবলৈ পাওঁ । সাহিত্য যুগে যুগে সমাজৰ দাপোণ। সৰ্ব্বভাৰতীয় গদ্য সাহিত্যৰ বুৰঞ্জীত প্ৰথম পদক্ষেপ কৰা অসমীয়া গদ্য সাহিত্য কথাগুৰু চৰিতৰ মাজেৰে অসমীয়া সমাজৰ এনে সহজ ৰূপ প্ৰতিফলিত হোৱাতো সচাঁকৈয়ে গৌৰৱৰ কথা ।

——— --

# চিৰন্তন্

—উপেন্দ্ৰ নাথ শৰ্ম্মা
১ম বাৰ্ষিক কলা

এডোখৰ মঙহ লৈ দুটা শ্বাপদৰ কাজিয়া লাগিছে,
চিৰন্তন ।
দুটা অস্পৃশ্য শ্বাপদ্
আৰু
এডোখৰ শুভ্ৰ শেতা
কেচা মঙহ—অবহেলিত ।
তিলে তিলে মৃত্যু মুখলৈ আগবঢ়া
কোনো এক কুষ্ঠৰোগীৰ গাৰ পৰা খহি পৰা
এডোখৰ গেলা মঙহ
কাষত সেয়া দুৰ্ভগীয়া পঙ্গুৰ
আকুল আহ্বান,
মাতত—মৃত্যুৰ কেকনি,
কাষেৰে সহস্ৰ জনতাৰ সোত,
ডাঙৰ, সৰু বহুতো ,
মুখত সভ্যতাৰ আৱৰণ
অন্তৰত আউসীৰ আন্ধাৰ
আভিজাত্যৰ গৌৰৱত
সহানুভূতিৰ মৃত্যু হৈছে
(ইয়ো) চিৰন্তন !
শ্বাপদ দুটাৰ কাজিয়া ভাঙিছে,
বিজয়ীৰ মুখত আনন্দৰ উল্লাস,
পৰাজয়ীৰ মুখত হতাশৰ চাপ,
এটাই ক্ষুধা আতৰাইছে,
আনটোৱে কৌতুহলেৰে চাইছে
(ইয়ো) চিৰন্তন !
(কিন্তু) সহানুভূতি মমতা ?
কবিৰ কল্পনা
বলিয়াৰ প্ৰলাপ
দুৰ্ব্বলৰ ওপৰত সবলৰ অত্যাচাৰ
চলিত—চিৰন্তন্

---

# কিছুমান সুন্দৰ

—লক্ষীকান্ত দাস
২য় বাৰ্ষিক বিজ্ঞান

দুদাল দুবৰি,
দুটোপাল নিয়ৰে ঢাকিছিল আগলতি
যেন, বাহৰ আগত নাচে ক'লা কাউৰী ।
দুটোপাল নিয়ৰত
দুখন দাপোন দেখিছিলো,
দাপোনত নিজৰেই
প্ৰতিচ্ছবি দেখা পাইছিলো,
আপোন ৰূপতে মুগ্ধ হ'ই বহু—বহুপৰ বলে

আকাশত চিকচিকীয়া ৰ'দ লাগিছিল,
তাত আছে ডাক্তৰৰ চি ভিটামিন
সদ্য উদিত বোলটোৰ ৰাঙী ৰ'দকণে
পাহাৰৰ টিলাদুটি ৰঙাই তুলিছিল।
মুখখন ঠিক যেন সেন্দুৰৰ টেমা ।

বাগিছাত কিছুমান ফুল ফুলিছিল
ৰঙা নীলা, সেউজীয়া আৰু বেঙুনীয়া ;
গোলাপ, গন্ধ আৰু নাহৰ, তগৰ ।
দেখিবলৈ ইমান ধুনীয়া ।
কেইটামান ক'লা ক'লা পোকও আহিছিল,
গোঁজৰণি বাঘৰ নহয়, কিন্তু
ৰেডিঅ'ত বজোৱা সেই লঘু সঙ্গীতৰ সুৰৰ নিচিনা।

---

# দুটা কবিতা

—সভা খনিকৰ
১ম বাৰ্ষিক কলা

## শীত

উচুপি উচুপি সৰা
টোপ টোপ
চকুলোৰ শব্দত
সাৰ পাই ৰলো
হৃদয় কঁপোৱা
এক অজান শিহৰণত
উজাগৰে পাৰ হল নিৰ্জ্জন ৰাতিটো ।
সৰীসৃপ গতিৰে সেয়া নিঃসঙ্গ কোনোবা
গলিয়েদি আঁৰ হৈ গল দোকমোকালিত
হয়তো—অভিসাৰী কামনা অন্তত ।
সদ্য বিধবাৰ শুধ বগা পাতল
আবৰণে
পুৰাটোক সাৱটি ধৰিলে ।
মোৰ সীমিত দৃষ্টি নিবদ্ধ হল
বিদীৰ্ণ দেহৰ এক সন্ন্যাসীৰ দৰে
বসন্তলৈ অযুত মৌন প্ৰাৰ্থনা জনোৱা
এডাল গছত ।

## বসন্ত

গোটেই ৰাতিটো
মোৰ ফুলনি বাৰীত
চিনাকী চিনাকী লগা
এজাক অচিনাকী ছোৱালীয়ে
খিল খিলকৈ হাঁহিছিল ।
আৰু নাচি ৰাগি ফুৰিছিল
আত্মহাৰা হৈ ।
চিলমিল টোপনীতে (সাৰ পাই)
মোৰ কোঠাৰ খিৰিকি খন
খুলি দিলো,—
এজাক পোহৰ
সোমাই আহিল
মৃদু সুৰভিৰ সতে ।
দেখা পালো—সেই পৰী যেন
এজাক ছোৱালী—চিনাকী চিনাকী লগা
মিচিক মাচাক ন বোৱাৰীৰ লাজুকী হাঁহিৰে
আৰু নতুন সাজেৰে
লাজ লাজকৈ
থমকি থমকি ৰৈ
চকুৰ আগেদি পাৰ হৈ গল ।
দীঘল নিশাৰ স্বপ্নৰ শেষৰ
কিনা এক নুবুজা তৃপ্তিৰে
মন মোৰ উপচি পৰিল ।

---

# যাত্ৰী

কুমাৰী যুতীকা বুজৰবৰুৱা
২য় বার্ষিক, বিজ্ঞান

তুমি, মই
আৰু বহুতো
আলোক সন্ধানী আমি,
সীমাহীন পথৰ যাত্ৰী ।
ভয়াবহ চাকনৈয়াৰ ওপৰে ওপৰে
তিমিৰ ৰাশিৰে ঘেৰা পথ :
মেলি দিছো সেই পথে
জীৱনৰ পালতৰা নাও ।
নাওখন যায় ভটিয়াই
জীৱন নদীৰ সোঁতে সোঁতে,
থমকি থমকি ৰ'ই
মুঠি মুঠি সিচি যায়
সোণালী সপোন মাথো
চৌপাশে জুৰি ।

দূৰত জিলিকে সউ
পোহৰৰ ৰেখা ;
মহাসমুদ্ৰৰ উত্তাল আহ্বানত
নীসিমাৰ বুকু ফালি
হিয়া আকাশত উৰে
স্বপ্ন আৰু আকাঙ্খ্যাৰ
বগলীৰে জাক ।
আমাৰ হাতৰ মুঠি দৃঢ় হয়,
বঠাৰ চাপ পৰে
আৰু জোৰে ;
চকুলো শুকায় ।

এইয়া তুমি, মই
আৰু বহুতো
অনন্ত পথৰ যাত্ৰী ;
(আমাৰ) ভাবহীন দুচকুত
আশাৰ প্ৰলেপ সানি
অমৃত বিচাৰি আমি যাওঁ আগ বাঢ়ি ।
আমাৰ হেজাৰ স্বপ্ন
বাস্তৱত পৰিণত কৰি
মানুহ যেতিয়া মানুহ হ'ব
সেইদিনা তুমি হাঁহিবা,
মই হাঁহিম
আৰু হাঁহিব সিদিনা
পৃথিবীৰ সকলো মানুহে ।

———

# দুটি কবিতা ঃ এক মুমূৰ্ষুৰ

অধ্যাপক উমেশ চন্দ্ৰ চক্ৰবৰ্ত্তী
সংস্কৃত বিভাগ

## প্ৰাৰ্থনা

"মোৰ যদি মৃত্যু হয়
তোমাৰ কাৰণে কান্দোতে
তোমাৰ কথাকে চিন্তোতে
সেই মৃত্যু হব কিমান সঁচা আৰু কিমান মহান
আৰু কিমান গভীৰ
তাকে এক মনে ভাবিছো ।
কৃদ্ধ কোঠাৰ শয্যা প্ৰান্তত পৰি আছে শীৰ্ণদেহ
মন কিন্তু বিস্তীৰ্ণ বিশাল, তোমাৰ কাৰণে
মোৰ জীৱনৰ অন্তিম পলকত
মৰণৰ যন্ত্ৰনাকো কৰা আহি তুমি যেন
মধুৰ-সুস্বাদু ।
মোৰ জীৱন বন্তিৰ টিমিক টামাক পোহৰত
তোমাৰ পবিত্ৰ দেহ - পবিত্ৰ দেহৰ ছাঁ
পৰে যেন মোৰ অথিৰ দেহত
এয়ে মোৰ প্ৰাৰ্থনা ।
এয়ে মোৰ কামনা ।
তোমাৰ কাষত এয়ে মোৰ প্ৰাৰ্থনা ।
তোমাৰ নয়নৰ জ্যোতিয়ে
উৰন্ত আত্মাক মোৰ
কিজানিবা দিব পাৰে
স্বৰ্গৰ সন্ধান ।
অন্তিম ক্ষণত যেন আহা, যেন আহা ।"

## স্বীকাৰোক্তি

"চকু মেলি যেতিয়া নেদেখো তোমাক মোৰ কাষৰত
মনৰ দুৱাৰ মেলি যেতিয়া বুজো
এবাৰো তুমি অহাৰ সম্ভাবনাও নাই
মোৰ এই অন্তিম কালত
দুটোপাল চকুলো ওলালে
কিদৰে কদ্ধ কৰো
কি দৰে কদ্ধ কৰো ?
তোমাৰ লগত থাকিলো বহুত দিন
নুফুটিল মোৰ ভাষা ।
আজি তুমি এবাৰ আহিছে
কৈ যাম বহু কথা অন্তৰৰ কথা ।
মোৰ যদি মৃত্যু হয়
দেহ এৰি উৰি গুচি যাব মোৰ প্ৰাণ
নীলা সেউজীয়া সাতোটা ৰঙৰ
এই পৃথিবীৰ সীমা পাৰ হৈ
কোনোবা দেশক ।
হয়তো থাকিব তাত
ৰঙতকৈয়ো আৰু কিবা আৰু ভাল লগা
মধুতকৈও আৰু কিবা আৰু মিঠালগা
ফুলতকৈও আৰু কিবা বহুত সুগন্ধি
মই জানো কিন্তু তাত নাথাকিব
তোমাৰ নয়ন-জ্যোতি যিয়ে মোৰ নয়নক পোহৰাব ;
তোমাৰ ওঠৰ চুমা যিয়ে মোক অমৃত পিয়াব ;
তোমাৰ দেহৰ গন্ধ যিয়ে মোৰ আত্মাক জীয়াব ।
থাকিব বহুতো তাত মূল্যহীন অমূল্য সম্পদ
আত্মাৰ বিশ্ৰাম কিন্তু
শান্তিৰ লাৱণ্যছায়া নাথাকিব তাত ।
এয়ে মোৰ অন্তৰৰ ব্যথা ।
দহোটি বসন্ত ঋতু
সংগোপনে ৰাখিলো যি কথা
বিবৰিলো আজি তাক মুমূৰ্ষু ভাষাৰে ।
তুমিতো বুজিছা ছাগে
তুমিতো বুজিছা ।"

# যাযাবৰ সঙ্গীত

—ভাবত চন্দ্র শর্ম্মা।
প্রাক বিশ্ববিদ্যালয়, বিজ্ঞান

চাকবি ! এবা চাকবি কবিব লাগিব । পিছে পাৰেঁই বা ক'ত ? যিহে শিক্ষাব ওজন, এম-এ চেকেণ্ড ক্লাছ নাই । সকবে পবা ভাবিছিলো চাকবি নকবো । চাকবি মানেই হল গোলামী । কিন্তু এতিয়া বাধ্য হৈছো । পেটৰূপী শত্রুটোক বশ কবিব নোৱাবিলে পৈতৃক প্রাণটো লৈয়ে টনাটনি । কেবাণী হৈ মাখি মাৰাবো । মাষ্টবী কবিবব ইচ্ছা আছিল । পিছে কতো জাগা নাই । নো ভেকেন্সি । পাঠশালাব পণ্ডিত হবলৈ হলে সন্মান হানি, ডিগ্রী কম দামী । প্রফেচাবী আকাশ কুসুম । একোবাব ভাবো ব্যৱসায়তে নালাগো কিয় ? কিন্তু অকবা বুলি যিহে শৈশৱতে পোৱা মেডেলটো আছে তাকে চাই মনটো পিছলি পবে । ব্যৱসায় কবিবলৈ হলে হেনো বেছ ধূর্ত্ত, পবিশ্রমী আৰু চটফটিয়া হব লাগে । সৌভাগ্যবশতঃ জন্ম পাওঁতে তাবে এটাও লগত আনিবব নহল । গতিকে বলে নোৱাবা শিলক দূবতে পবি নমস্কাব ক'বা হ'ল । চাকবি যথেষ্ট আছে, কিন্তু তেল নিদিলে পোৱা টান । পিছে জন্মবে পবা মানব কর্ত্তাই মোব এই সর্ব্বনাশী জেদী, স্বাধীন মনা মনটো পঠিয়াই দিলে । তেল দিয়া কামটো সকবে পবা খুব ঘৃণা কবো । গতিকে তাতো 'মাইনাচ জিবো' । নাই, ক'তো শান্তি নেপাওঁ । জীৱনত বাৰু শান্তি পালো ক'ত ?

তেন্তে উপন্যাসকে লিখো নেকি দুখন মান ? বিক্রী হলে বেচ লাভেই হব । কিন্তু অসমত কিতাপ লিখি কেইজন বাৰু ধনী হব পাবিছে! পঢ়োতাই বা কিমান আছে ? তাতে আকৌ কিনি পঢ়োটা এজনে হয়তো কিনিব, তেওঁব পবা আন এজনে খুজি নিব পঢ়িম বুলি । তাব পাছত মানুহব নেজেই দেখিব পোৱা নেযাব । কেতিয়াবা লগ পাই সুধিলেও কব : বেয়া নাপাব বুইছেনে কিতাপ খন মই দেখোন বিচাবিয়েই নেপালো, দামটো বাৰু দি আহিমগৈ, বহ্, ইয়াতেই শেষ । মুখত কলেহে কামত হলে ফুটুকাব ফেন । দিওঁতায়ো বাৰু দুটকা বা তিনি টকাব বাবে কোন মুখেবে পইচা সাধিবলৈ যাব ? ফলত কিতাপো গল, এসাজব বাবে ভাল মাছ (?) এটাব দামো গ'ল । সাতে পাছে লিখকব ইপিনে পেটত গামোচা বন্ধা অৱস্থা । সেয়ে এই মহামহিমা মন্ডিত কামৰূপ ধামত কিতাপ লিখিব খুজিলে লিখাব আগেয়ে জীৱন বীমা কবি থোৱা ভাল, যদিহে লিখকব উত্তবাধিকাবী ৰূপে দুই দুই ঠেঙীয়া একোটা ফৌজ থাকে ।

আপোনালোকে চাগৈ ভাবিছে, মই ক'ত চাকবি বিচবাব পবা আবম্ভ কবি ক'ত অসমব পাঠক, লিখকব স্বভাব ব্যাখ্যা কবিব ধবিছো । পিচে আপোনালোকে ভবা মতে মই পগলা নাইবা মদাহী নহয় দেই । কেতিয়াও নেভাবিব মই সাহিত্যিক নহয় বুলি । মই এজন সাহিত্যিক । তাবো এটা কাহিনী আছে কবেই বাৰু : মেট্রিক পাছ কবি তেতিয়া নকৈ কলেজত সোমাইছো । মন মোব অধীব । ন ন চিন্তাবে ন ন পবিকল্পনাবে ভবপূব । তেনেতে এটা ভাল "প্লট" পালো । লিখিয়েই পেলালো এটা গল্প । কোৱা বাহুল্য সকবে পবা মই নির্জ্জণতা প্রিয় আছিলো । (অৱশ্যে এইটো অভ্যাস মোব লাজকুৰীয়া স্বভাবব বাবেই আছিল । ) প্রকৃতিব অভিনৱ বহস্যব প্রতি মোব ঔৎসুক্য মন সদায় আগবণুৱা । ভাবব সাগবত ওপঙি ফুবি সচাই আনন্দ পাইছিলো । গল্পটো শেষ কবি আলোচনী এখনলৈ পঠিয়াই দিলো । কেদিনমানব পাছত প্রকাশো হ'ল । লগে লগে মোব বন্ধু মহলত এক বিবাট চাঞ্চল্যব সৃষ্টি হ'ল । কিমানে কলে, "কিহে কেতিয়াব পবা গাল্পিক হ'লা ?" এজনে খোচ মাবিলে, "এ, এইটো চোন নকল গল্প অমুকব অমুক গল্পব ছা পবিছে । " মই মনত ভীষণ আঘাত পালো । শিল্পীব কোনো সৃষ্টিক শিল্পীব

সমুখতে বেয়া বুলি কলে শিল্পীয়ে বেয়া পায় । লাগিলে প্ৰকৃততে বেয়াই হওক । বন্ধুব কথাত ময়ো ককালত টঙালি বান্ধি লাগি গলো । পূৰ্ব্বতেই কৈছো মোব মনটো সকবে পবা জেদী, অলপ বিদ্ৰোহী ধৰণব । সেয়ে ময়ো একেবাহে লিখি যাবলৈ ধবিলো । মনত আশা— নামকবা সাহিত্যিক হ'মেই । বহুত অচিনাকিব মাজত চিনাকি হ'মেই । হলোও । খুব নামকবা হব নোৱাবিলেও বহুতব মাজত সাহিত্যিক বুলি চিনাকি হলো । মাজে সময়ে বাতবি কাকত আলোচনী আদিব সম্পাদকব পবা গল্পব বাবে অনুবোধ কবি লিখা চিঠি পাব ধবিলো ।

এয়ে মোব সাহিত্যিক জীৱনব বুবঞ্জী । কিন্তু অসমব বৰ্ত্তমান অৱস্থা দেখি কিতাপ লিখিবলৈ ভয়েই লাগে । তদুপবি কিতাপ ছপাবলৈ মূলধনেই বা ক'ত? পুৱা গধূলি দুটা প্ৰাইভেট টিউশ্যন কবি কোনোমতে আশীটা টকা পাওঁ । তাবেই কোনোমতে যাবতীয় কামবোব চলাওঁ । ভাযাঘব নামব অকণমান কোঠাটোও স্তোভেবে বন্ধা কামটো চলাওঁ । তাতেই লাগে নগদ কুবি টকা । চাবিও ফালে লেতেবা নৰ্দ্দমা, । জমাদাবব কব স্পৰ্শব পবা সিহঁত চিবদিনে বৰ্জ্জিত । তাব পবা আহে গেলা-পঁচা নানা ধৰণব সুবাস । অভ্যস্ত হৈ পবিছো । সস্তাত থাকিবলৈ ইয়াতকৈ আৰু ভাল ঠাই ক'ত পাম । মোব সহবাসীবোব হ'ল বণুৱা, বিক্সাৱালা জাতীয় মানুহ । দিন ভব কাম কবি সন্ধিয়া অৱসাদাক্ৰান্ত দেহ-মন লৈ ঘবলৈ উভতে । ভাগব গুচাবলৈ প্ৰয়োজন হয় সস্তীয়া মদব । তাব পাছত আবম্ভ হয় মাতলামি, জুৱা । নিশা এক দুই বজালৈ সেইবোব চলে । তাব পাছত নিস্তব্ধ । বাতিপুৱা হলে কাবো মুখ দেখিবলৈ পোৱা নেযায় । সকলো নিজব কামে কামে যায়গৈ । তাৰৈ বাহিবব বহল পৃথিবীব কোনো ভদ্ৰলোকক দিনব পোহবত যোৱা দেখা নাযায় । এই ঠাইত এনে এশ্ৰেণী মহিলা আছে যিবোব দিনব দিনটো বাদুলি সোমোৱাদি ঘবব ভিতবত সোমায় থাকে আৰু সন্ধিয়া লগাব লগে লগে গাত সস্তীয়া বঙ বেবঙব শাবী মেবাই মুখত পাউদাব, আদি ঘঁহি চিকাবব বাবে জোপলৈ থাকে । নিশাব এন্ধাবব আব লৈ চহবব আভিজাত্য সম্প্ৰদায়ব লোকসকল প্ৰায়ে আহে ইয়ালৈ । তাব পাছত সিহঁত তাবে একোজনী লৈ বন্ধ কোঠা একোটাত সোমায় পবে । ওলাই অহাব পাছত সিহতব মুখবোবত পবিস্ফুট হৈ হৈ উঠে বিকৃত সম্ভোগব কুৎসিত অভিব্যক্তি । এনেকৈয়ে গতানুগতিক ভাবে চলি থাকে ইহঁতব দিন-বোব । একো বৈচিত্ৰতা নোহোৱাকৈ । মই এইবোবব নীবৱ দৰ্শক । ভাৱো, এনেকৈয়েতো এচাম লোকে সুচাৰু ভাবে নিজব জীৱিকা চলাই আছে । কিন্তু এয়া কি জীৱন ? জন্তুব দৰেতো খাই বাচি থাকিবও নোৱাবি । মানুহব 'পজিশ্যণ' বোলা বস্তুওতো এটা আছে । ইয়াব বেশ্যা কেজনীব বেছি ভাগকেই মই চিনি পাওঁ ; ভাল ঘবৰেই ছোৱালী আছিল । অৱস্থাব বিপৰ্য্যয়ত আজি সিহঁতব এনে অৱস্থা । যাওক পবব কথা চিন্তা কবি লাভ নাই । বৰ্ত্তমান মোব নিজব চিন্তাইহে কালান্তক মূৰ্ত্তি ধাৰণ কবিছে । মনক জোবকৈ হেঁচা দি চাকৰি অৰ্থাৎ পবব গোলামী কবিবব চেষ্টা কবিছো ; কিন্তু পোৱা হলে নাই । অবুজ মনটোক বহুতো মিছা সান্ত্বনা দি ভালেমানক খাতিবো কবিছো । তেলদি ভবি প্ৰায় উখহাই দিছো বহুতবে । কিন্তু হায় । এতিয়ালৈকে কতো একো পোৱা নাই । ডাঙব বিপদ, অকল খাটিব কৰিলেই নহয় লগতে মুহদি হিচাপে দক্ষিণাও কিছু যাচিব লাগে । কিন্তু তাতেহে মই বাবে বাবে মুৰ্খ খেকেচা খাইছো । মোব দিবলৈ আছেই বা কি ! নাই মোব টকা । নাই কোনো মাটি বাবি, সা-সম্পত্তি । এজন যাযাববব বাহিবে মোব অইন একো পবিচয় নাই । কিন্তু তথাপি মই চাকবি কবিবই লাগিব। অন্ততঃ নিজক বচাবব বাবে । তাব পাছতহে গৌণ হিচাপে বিয়া-বাৰু, লবা-তিবোতা । আকৌ সেই তিবোতা ! এই তিবোতা, প্ৰেম—এই শব্দবোবক মই ভীষণ ভয় কবো । ভয় ?

এইবিলাক কবিব কল্পনাব বস্তুব বাহিবে একো নহয় । কিশোবব পবাই মই ছোৱালীবোবলৈ ভীষণ ভয় কবো । মোবমতে সিহত বিষধব সৰ্পিনীব বাহিবে একো নহয় । বেণী ডালেবে সৈতে মূবব ক'লা চুলিবোব মই ফেট তুলি থকা সাপ বুলিহে ভাবো । মোব এই বিষয়ত বেছ অভিজ্ঞতা আছে যে সিহঁত বব স্বাৰ্থপব আপোন পেটীয়া, আত্ম-কেন্দ্ৰীক আৰু বব সুবিধাবাদী । পুৰুষব দুৰ্ব্বলতাব সুযোগ লৈ ইহঁতে সকলো আদায় কবি পিছত বব নিৰ্দয় ভাবে প্ৰতাবণা কবে । কোনোবাই

কৈ গৈছে নাৰী হেনো বৰ কোমল, দয়াৱতী, অবলা। মই কওঁ যিয়ে এই বোৰ কৈ গৈছে তেওঁ এজন ভ্ৰষ্ট পাগলৰ বাহিৰে একো নহয়। সিহঁত অবলা কেতিয়াও নহয় বৰং পুৰুষতকৈ বেছিহে সবলা। সিহঁতে যিমান নিৰ্ম্মম ভাবে মানুহক আঘাত দিব পাৰে, বোধ হয় কোনোবা সাংঘাটিক নিষ্ঠুৰ মানুহেও তেনে আঘাত কৰিব নোৱাৰে। এয়ে মোৰ ছোৱালীৰ প্ৰতি ধাৰণা। তাৰ পিছত প্ৰেম। প্ৰেম, এই শব্দটো শুনিলে এতিয়াও মই উচপ খাই উঠো। জীৱনত মই একাধিক বাৰ প্ৰেমত পৰিছো। গতিকে জানিবই পাৰিছে সেই ক্ষেত্ৰত মোৰ আধিপত্য কিমান ব্যাপক ধৰণৰ। বহুতেই নিজৰ অতীত জীৱনৰ কুকৰ্মৰ কাহিনী বোৰ গোপনে ৰাখে। মোৰ কিন্তু সেই স্বভাৱ নাই। যদিও মোৰ প্ৰেম কাহিনীবোৰ অলপ হাস্যাস্পদ। তথাপি মই সেইবোৰ লুকুৱাই নাৰাখি সকলোৰে আগত খুলি ক'ম। শুনিছো, বহুতো ডাঙৰ ডাঙৰ মনিষীয়ে হেনো নিজৰ আত্মজীৱনীত সামান্য দুৰ্ব্বলতাৰ কথাও গোপনে নাৰাখে। মোৰ যদিও ডাঙৰ মণিষী হোৱাৰ কোনো দূৰভিপ্ৰায় নাই তথাপি উদাহৰণ নাইবা সাৱধান বাণী হিচাপে মই মোৰ প্ৰেম কাহিনী বেকত কৰিলো।

মোৰ দেউতা কেতিয়া ধুকাইছিল মনত নাই। মা'ই মোক জন্ম দিয়াৰ দুমাহ পিছতে হেনো মানৱী লীলা সম্বৰণ কৰিছিল। ডাঙৰ হৈছিলো মোমাইৰ ঘৰত। ডাঙৰ হৈ যেতিয়া শুনিলো মা, দেউতাই মোৰ পাছত এটাও প্ৰাণী নথৈ মোক এটা ভয়ানক বিপদৰ পৰা উদ্ধাৰ কৰি গৈছিল, তেতিয়াই তেখেতসকলৰ উদ্দেশ্যে মই অষ্টাঙ্গে প্ৰণিপাত কৰিলো। এতিয়াও মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ। তেখেতসকলৰ চিৰদিন স্বৰ্গবাস হওক।

মোমাইৰ তাত থাকিয়েই মই পঢ়া শুনা আৰম্ভ কৰিছিলো। এনেকৈ মই শ্ৰেণীবে গৈ নৱম মানত আৰু বয়সৰে গৈ পোন্ধৰ বছৰত ভৰি দিলো। তেতিয়া মই যৌৱন আৰু কৈশোৰৰ মাজত। মোৰ মন যৌৱনৰ আগমনৰ আনন্দত মছগুল। কমোৱা তুলাৰ দৰে মোৰ মন উৰা আৰম্ভ কৰিলে। সমনীয়া ছোৱালী দেখিলেই ভাল পাই পেলাবৰ মন যায়। ৰাস্তাৰে গৈ থাকিলেতো কথাই নাই, ছোৱালী দেখিলেই একেবাৰে 'দিৱানা হৈ যাওঁ। মুখেৰে গাও, "মুঝে তুমসে মুহ্বৱত হেৰ, মগৰ মে কহ নহী সকতা।" সাগৰৰ প্ৰকাণ্ড ঘৰ্ণী বতাহত তুলুং ভুটুং কৰি থকা এখন অকনমানি তুলুঙা নাৱৰ দৰে মোৰ মনো ভাবসাগৰৰ জোৱাৰত তেতিয়া ভীষণ ভাবে কম্পমান, দোদুল্যমান।

এনেতে আমাৰ অৰ্থাৎ মোমাইৰ ঘৰৰ কাষতে ভালে মান দিন খালি হৈ থকা প্ৰকাণ্ড ভাড়া ঘৰটোলৈ নতুনকৈ বদলি হৈ অহা এজন অধ্যাপক আহিল। একেবাৰে 'ফেমিলি' নাম ধাৰী নয়া পইচা আৰু আধলি টকাৰে সৈতে। তাৰে ভিতৰত নিশা নামৰ মোতকৈ প্ৰায় দুবছৰৰ সৰু এজনী ছোৱালীও আছিল। লাহে লাহে অধ্যাপক পৰিয়াল আমাৰ লগত ঘনিষ্ঠ হৈ আহিল। দুয়োঘৰৰ মাজত অহা-যোৱা, বস্তু দিয়া নিয়া আদিও চলিবলৈ ধৰিলে। মইও নিশাৰ লগত ঘনিষ্ঠ হলোঁ। নানা কথা পাতিলো। এনেকৈ বেছ কিছুদিন গ'ল। এদিন হঠাতে মই অনুভৱ কৰিলো মই নিশাৰ প্ৰতি ভয়ানক ভাবে অনুৰক্ত। নিশাই বা মোক ভাল পায় নে নাপায়? বহুদিন নানা ভাবে নিশাক পৰীক্ষা কৰিছো। কিন্তু নিশাৰ কোনো ভাবান্তৰ চকুত নপৰিল। বুজিলো তায়ো মোক ভাল পায়। কিন্তু মই মোৰ ভাল পোৱা নিশাক জনাওঁৱেই বা কেনেকৈ! নিশাৰ পৰাতো সহাঁৰি নাপাওঁৱেই। হয়তো নিশাই মোৰেই সহাঁৰিক অপেক্ষা কৰি আছে। নিশাৰ লগত ঘণ্টাৰ পাছত ঘণ্টা ধৰি কথা পাতিলো। এটা সময়ত দৃঢ় বিশ্বাসত উপনীত হলো যে নিশাও মোৰ প্ৰতি অলপ দুৰ্ব্বল। হয়তো তাই লাজতে সেই কথা প্ৰকাশ কৰিব পৰা নাই। লজ্জাই হেনো নাৰীৰ ভূষণ। সিহঁতে বোধে কেতিয়াও নিজে প্ৰেম নিবেদন নকৰে, পুৰুষে জোৰ কৰি সাৰটি লৈ মৰম দিয়াটোকহে সিহঁতে হেনো বাঞ্চা কৰে। গতিকে এই ক্ষেত্ৰত নিশাৰ অৱস্থাটো চূনৰ পানীৰ দৰেই স্বচ্ছ। কিন্তু ময়েই বা আগেয়ে কেনেকৈ প্ৰেম নিবেদন কৰো? আগতে কৈছো মই বৰ লাজকুৰীয়া, গতিকে মুখে কোৱাতো একেবাৰে অসম্ভৱ কথা। সেয়ে বহু ভাবি চিন্তি এটা উপায় উলিয়ালো। এদিন বৰ্ষামুখৰ সন্ধিয়া এটাত চালত পৰা বৰষুণৰ টপ্ টপ্ শব্দৰ লগত মনটোক মিতিবালি কৰিব দি এখন বৰ ধুনীয়া ভাষাত চিঠি লিখিলো। কোৱা বাহুল্য, চিঠিখনত মই মোৰ অন্তৰৰ মৰমবোৰ সোপাই উজাৰি দিছিলো। তাৰ পাছত স্কুললৈ যোৱাৰ বাটত

ছেগ চাই নিশাক অকলে লগ ধৰি চিঠিখন দি পোনেই স্কুললৈ গলো। মোৰ মনত তেতিয়া আশা নিৰাশাৰ ভীষণ হেন্দোলনি । মনত নিজকে এজন প্ৰেমিক বুলি ভাবি আছো। কল্পনা কৰিছো ইয়াৰ পিচত কি কৰিম, কি নকৰিম, লাহে লাহে এটা দুটাকৈ পিৰিয়দ কিটা শেষ হৈ এটা সময়ত স্কুল ছুটি হ'ল। মই ঘৰ পালোহি। চাহ-জলপান খাই আবেলি ফুৰিবলৈ বাহিৰ ওলাই গলো। নিশা বাহিৰত বৈ থকা নাই। নিশাৰ সৰু সৰু ভায়েক ভনীয়েকহঁতে দেখোন মোৰ ফালে জুমা জুমিকৈ চাইছে। কাণ্ড কি! বাহিৰতো মোৰ মাত্ৰ একোটি চিন্তা। নিশাই বা কি ভাবিছে চিঠি পঢ়ি। হয়তো আচৰিত মানিছে, মই ইমান স্পষ্ট ভাবে নিশাক ভাল পাওঁ বুলি কোৱা বাবে। হয়তো ভাবিছে, কম সাহসী নহয় এই শান্তনু ফুকনটো (মোৰ নাম)। এতিয়া মানে তাই হয়তো মোৰ চিঠিৰ উত্তৰ লিখাত লাগি গৈছে। তাই প্ৰথমতে কি লিখিব বাৰু? হয়তো লিখিব, মৰমৰ, ওঁহোঁ চেনেহৰ, ওহোঁ তেন্তে হিয়াৰ শান্তনুদা, এৰা এইটোহে বেছ "এপ্ৰোপ্ৰিয়েট" হব। তাৰ পাছত হয়তো লিখিব....তুমি নাজানা শান্তনুদা, মই তোমাক কিমান ভাল পাওঁ....... । এঁ আঠটা বাজিলেই দেখোন। ইমান পলম হৈ গ'ল। ঘৰত নিশ্চয় গালি খাব লাগিব। নিশাক আতৰাই মনটোত গোসাইদেউৰ খণ্ডত নৰসিংহ অৱতাৰ ধৰা মূৰ্ত্তিটোহে জিলিকি উঠিল। কোৱা কুৰিকৈ ঘৰ পালোহি। গেট্ পাৰ হৈ প্ৰথমে গোসাইৰ কোঠাটোলৈ চালো। বক্ষা, এজন মানুহেৰে সৈতে কথা পাতি আছে। চুচুক চামাককৈ কোঠাটো পাৰ হলো। এবাৰ ভুমুকিয়াই চালো। প্ৰফেচাৰ আৰু মামা বহি আছে। দুয়োৰে মুখ গম্ভীৰ হয়তো কিবা গধুৰ কথা আলোচনা কৰি আছে। কোঠাটো দুখোজ মান পাৰ হৈ গৈয়ে পুনৰ উভতি আহিলো। টেবুলত থকা কিবা এটা বস্তুৱে মোৰ দৃষ্টি ভাল ভাবেই আকৰ্ষণ কৰিছিল। খিৰিকিৰ পৰ্দ্দাৰ ফাঁকেৰে খু-উ-ব ভালকৈ চালো। মোৰ গাটো সিঞৰি উঠিল। টেবুলৰ ওপৰত মই নিশালৈ চিঠি ভৰাই দিয়া নীলা লেফাফাটো যেন লাগিল সেই একেই খাম। চাবি ভাজ কৰা। লেফাফাত মই নাম লিখা নাছিলো। মনে হলে নপতিয়ালে, নিশাই নো মই চিঠি দিয়া কথাটো জনাবনে? কিন আশ্বস্ত হলো যদিও নিসন্দেহ হব নোৱাৰিলো। বাতি গোসাইৰ মুখখন খুব গোমোঠা যেন দেখিলো। মোৰ বেছ ভয় লাগিল যদিও নিৰ্ব্বিকাৰ হৈ থাকিলো। বাতি প্ৰায় দুই মান বজাত গোসাইহঁত শোৱাৰ পাছত গোসাইৰ ড্ৰয়িং ৰুমলৈ সোমাই গলো। খামটো ঠিক টেবুলৰ ওপৰতেই আছে। হাতত লৈয়েই নিসন্দেহ হলো যে মই নিশালৈ দিয়া খামটোৱেই হয়। খুব ভালকৈ আঠা লগাই বন্ধ কৰিছিলো, সেই কাৰণে খোলাতে ফালি গৈছে। উহ্ কি ভীষণ নিমখ হাৰামী। মোৰ মনটো জ্বলি গ'ল, খং আৰু ভয়ত। কি অপ্ৰত্যাশিত প্ৰতাৰণা। মই সপোনতো ভাবিব পৰা নাছিলো ইমান বিশ্বাসঘাতকতা এজনী সামান্যা ছোৱালীয়ে কৰিব পাৰে বুলি। মই তাইক কোনো অজ্ঞাত প্ৰস্তাৱটো কৰা নাছিলো। তাইটো ভবিষ্যতে তেনে কাম নকৰিবলৈ বুলি সাৱধান কৰি দি চিঠিখন মোক দিব পাৰিলেহেঁতেন। তেনে নকৰি তাই মোক এনেকৈ ঠগিলে কিয়। তাই মোৰ লগত হাঁহি কথা পতা সেইবোৰ কি ভূৱা আছিল? মোৰ লগত খেমালি কৰি নিস্পৃহ ভাবে মোক সঙ্গ সুখ দিয়া সেই বোৰ কি মিছা আছিল? মই যেন ভাবিব নোৱাৰা হৈ গলো। ভিতৰৰ চিঠিখন বিচাৰিলো। কিন্তু গোসাইদেউতো বুৰ্ব্বক নহয়। আকৌ বিচনাত পৰিলো। নিশাৰ ওপৰৰ খঙে গৈ গোটেই নাৰী জাতিটোৰ ওপৰতেই পৰিল। এৰা, সিহঁত খু-উ-ব বিশ্বাসঘাটক। ইহঁতক বিশ্বাস কৰিলে নিজৰে মৰণ। দেৱতায়ো যি নাৰীৰ চৰিত্ৰ বুজিব নোৱাৰে, সামান্য মানুহ মই কি বুজিম।

পিছ দিনাখন যি হব লগা আছিল হ'ল। গোসাইৰ পৰা কদৰ্থনা পালো প্ৰহাৰৰে সৈতে। এৰা, মোৰেই ভুল, মোৰ উচিত শাস্তিয়েই হৈছে। এইবুলি নিজৰ মনক প্ৰবোধ দিলো। ইয়াৰ পিছৰ দিনবোৰহে মোৰ কাৰণে অসহনীয় হৈ পৰিল। আমাৰ ঘৰৰ লগত প্ৰফেচাৰৰ ঘৰৰ বিচ্ছেদটো ঘটিলেই আনকি মোক দেখিলেই প্ৰফেচাৰ পৰিয়ালৰ সেনাবোৰে ভিতৰ সোমাই সোৱা হল। যেন মই বাঘ হে। নিশাৰতো কথাই নাই, নিশাৰ একেবাৰে সৰু ভনীয়েক ছবছৰীয়া পূৰ্ণিমায়ো বাটত মোৰ লগত ভেটা-ভেটি হলেই পোনেই একাষৰীয়া হৈ পিছ মুৱা হয়গৈ। লাজত মোৰ মৰি যাওঁ মৰি যাওঁ যেন লাগে। কেবাদিনো মই আত্মহত্যাৰ চেষ্টা

কৰিছিলো। পিছে সাহসৰ অভাৱত সি হৈ নুঠিলগৈ। পিছত মনক বহুত প্ৰবোধ দিলো। দোষ গুণটো মানুহ মাত্ৰেই আছে। সেইবুলি নিজৰ ভুলকেই খামোচ মাৰি ধৰি থাকিলেতো কাম নচলে। তদুপৰি এইটোতো মোৰ নিজা দোষ নহয়। বয়সৰ দোষ। এই বয়সত মানুহৰ মন চঞ্চল হয়েই। এই খিনি বয়সত ভুল হোৱাই স্বাভাৱিক। ভালেই হল। জীৱনত এটা ডাঙৰ অভিজ্ঞতা লাভ কৰিলো। লাহে লাহে পাহৰি গলো নিশাৰ কথা। তথাপি মাজে মাজে চেগা চোৰাকাকৈ মনত পৰি থাকে। শুনিছো, মানুহে হেনো জীৱনৰ প্ৰথম প্ৰেমিকাক কাহানিও পাহৰিব নোৱাৰে। এনেকৈ বহুতো দিন বাগৰিল।

এনেতে হঠাতে লগ পালো পূৰৱীক। অসমীয়া যদিও মই পূৰৱীক ভাল পাই পেলালো। নিশাৰ লগত হোৱা ঘটনাৰ পাছত প্ৰতিজ্ঞা কৰিছিলো কোনোদিন ছোৱালীৰ সংস্পৰ্শলৈ নাযাও বুলি। কিন্তু বয়সে কত মানে। যৌৱন-কৈশোৰৰ তেজৰ প্ৰৱল সোঁতে সেই মনোভাৱক তিল মানো থাকিব নিদি উটুৱাই লৈ গল। পূৰৱীৰ সান্নিধ্যত মই পাহৰি গলো নিশাৰ কথা, মোৰ প্ৰতিজ্ঞাৰ কথা। এনেকৈ বেছ কিছুদিন কোনেও নজনাকৈ আমাৰ প্ৰণয় লীলা চলিল। লাহে লা;হে পূৰৱীৰ আব্দাৰবোৰ বেছি হব ধৰিলে। আগৰ স্নো, পাউদাৰ, কমালৰ সলনি আজি-কালি লগা হল জৰ্জেটৰ শাৰী, টেৰিলিণৰ ব্লাউজ। ময়ো বাধ্য হৈ মোমাইৰ বাকচত হাত দিবলগীয়াত পৰিলো। মই পাহৰি গৈছিলো যে মই দোষ কৰিছো। পূৰৱীৰ মুখখনে মোৰ সকলো দোষকে ঢাকি থৈছিল। মই জানিছিলো পূৰৱীহঁত দুখীয়া। বাপেকে মিলত যোগালী কাম কৰি কোনোমতে পূৰৱী আৰু তলত থকা ভায়েক দুটাক পোহ-পাল দি আছিল। সৰুতে মাতৃহীনা হোৱা পূৰৱীৰ প্ৰতি সহানুভূতিত মোৰ মন আদ্ৰ হৈ উঠিছিল। তথাপি পূৰৱীক ইমান দূৰ আগুৱাবলৈ মানা কৰিম বুলি ভাবিও পূৰৱীৰ মুখখন দেখি মই চুপ হৈ গৈছিলো। কবলৈ ভাষা বিচাৰি নাপাও, তাইক দেখিলেই মনৰ সকলো দৃঢ়তা নিমিষতে শিঠিল হৈ গৈছিল। পুৰুষ যিমানেই কঠোৰ নহওক নাৰীৰ ওচৰত সদায় দুৰ্ব্বল। স্বীকাৰ কৰো পূৰৱীৰ ওচৰত মোৰ সকলো পৌৰুষত্ব মম গলাদি গলি শেষ হৈ গৈছিল। এনেকৈ বেচ কিছুদিন গ'ল। এদিনাখন আগৰে পৰা একো নজনোৱাকৈ পূৰৱীক লগ ধৰাৰ অভিপ্ৰায়েৰে সিহঁতৰ ঘৰলৈ গৈছিলো। এই খিনিতেকৈ থও পূৰৱীৰ ঘৰ চহৰৰ এনে অংশত অৱস্থিত যি ঠাইক চহৰৰ মানুহে কোনো দিন ভাল চকুৰে নাচায়। মই ভাবো পূৰৱীৰ বাপেকে ঠিকেই কৰিছে। নহলে ইমান সস্তাত জানো চহৰৰ ভাল ঠাইত ঘৰ পাব? আপোন ভালেই জগত ভাল। নিজৰ চৰিত্ৰ ভালে ৰাখিলে অইন কোনোৱে বেয়া কৰিব নোৱাৰে তেতিয়া আবেলি তিনি বাজিছে। উত্তম সময়। পূৰৱীৰ বাপেক কামৰ পৰা আহিবলৈ তেতিয়াও দুঘণ্টা সময় বাকী আছিল। দূৰৰ পৰাই দেখিলো পূৰৱীৰ ঘৰৰ দুৱাৰ বন্ধ। সম্ভৱ কোনো নথকাত দূৰৱীয়া দুৱাৰ বন্ধ কৰি শুই আছে। মই লাহে লাহে দুৱাৰৰ ওচৰ পালোগৈ। দুৱাৰ মুখত ঠিয় হোৱাৰ লগে লগে এজন মানুহে ভিতৰৰ পৰা দুৱাৰ খুলি মোক প্ৰায় খুন্দা মাৰিয়েই বাহিৰ ওলাই আহিল। মানুহটোৰ মদৰ তীব্ৰ গোন্ধে মোক নাকত ৰুমাল লবলৈ বাধ্য কৰিলে। মানুহটোৱে আলিবাট মুৱা হৈ ফোঁ ফোঁৱাই গুচি গল। পিচ মুহূৰ্ত্ততে ময়ো পূৰৱীৰ ঘৰৰ ভিতৰ সোমালো। কিন্তু ভিতৰত যি দৃশ্য দেখিলো মোৰ শৰীৰৰ প্ৰত্যেক দাল নোমেই ঠিয় হৈ উঠিল। মোক দেখি পূৰৱীয়ে নিজকে সংযত কৰি লবলৈ বৃথা চেষ্টা কৰিলে মাথোন। মাত্ৰ এটা মুহূৰ্ত্ত। তাৰ পাচতেই মই ভীষণ বেগে কোঠাৰ বাহিৰ ওলাই আহিলো। এইবাৰো মই বৰ শোচনীয় ভাবে পৰাজিত হলো। অইন দহজনী বজৰুৱা মাইকীৰ দৰে তেনে পূৰৱীয়েও জীৱন যাপনৰ আটাইতকৈ সহজ পথটো বাছি ললে? ছিঃ ছিঃ মইনো তাইৰহে প্ৰেমত পৰিব পাওঁনে! প্ৰথমবাৰৰ বাবে পূৰৱীৰ লগত খৰচ কৰা টকাবোৰৰ কথা মনলৈ আহিল। নাই, এতিয়া আৰু বহু পলম হৈ গৈছে। হৈ যোৱা ঘটনাটোৰ কথা ভাবি ভাবি মই ৰাতিও ভালকৈ শুব নোৱাৰিলো। লাহে লাহে পূৰৱীকো মনৰ দুৱাৰেৰে বহু আতৰলৈ খেদি পঠিয়ালো। কেইদিন মান পাছতে শুনিছিলো পূৰৱীয়ে হেনো সেই ব্যৱসায় বহুদিন আগৰে পৰা চলাই আছিল। এতিয়া হেনো তাইৰ নাম চহৰৰ সকলোতে জনাজাত।

এনেকৈ আৰু দিন বাগৰিল। প্ৰেমৰ জুৱাত

পৰাজয়ৰ হতাশৰ লগে লগে মোৰ মনক প্ৰেমৰ দুৰ্দমনীয় পিপাসাই পুনৰ ব্যাকুল কৰি তুলিলে। মনত 'আফ্‌চোচ্' ভালকৈ এজনী ছোৱালীৰ প্ৰেমত পৰি নাপালো। হঠাতে এদিন কিবা এটা কামত শান্তি পুৰৰ ফাল গৈছিলো। ৰাস্তাৰে গৈ থাকোতে এটা ঘৰৰ নঙলাত এজনী ছোৱালী ঠিয় হৈ থকা দেখিলো। হঠাৎ দুয়োৰে চকুৱে চকুৱে পৰিল। ছোৱালীজনীয়ে হাঁহি দিলে। লগে লগে এটা শিহৰণ মোৰ শৰীৰৰ প্ৰতি অনু-পৰমাণুৰে প্লাবিত হৈ গ'ল। মনত এটা নতুন আশাৰ জোৱাৰ লৈ নিতৌ শান্তিপুৰলৈ যাব ধৰিলো। এদিন। দুদিন। লাহে লাহে ছোৱালী জনী মোৰ ভালকৈ চিনাকী হৈ গল। মই সদায় তাইৰ মন পাবৰ বাবে নতুন নতুন পোচাক পিন্ধি আবেলি তালৈ যাও। ছোৱালীজনীও সদায় গেটৰ সন্মুখতে থাকে। মোলৈ চাই মিচিকি মিচিকি হাঁহে—ময়ো হাহোঁ। মই তাইক লৈ সদায় নতুন নতুন কল্পনা কৰো। নিত্য নৱ পৰিকল্পনাৰে তাইক বুৰাই পেলাও। আনকি ৰাও হাতেৰে চিঠি লিখি সমনীয়া বন্ধুৰ মাজত প্ৰেমিক বুলি গৌৰৱৰ ভাগ লও। এনেকৈ বেছ্ কিছুদিন গ'ল। কিন্তু! এই কিন্তুৱেই য'ত সৰ্ব্বনাশৰ মূল। কোনো ভাল কামৰ আৱৰ্তণিত ই নমাই আনে বিষাদৰ যৱনিকা কোনো বেমাৰীৰ বৰ্ণনাত ই আনে 'পঞ্চত্বং গতাঃ'ৰ কলা পৰ্দ্দা। আৰু যে কত কি' মোৰো প্ৰেম নাটকত ই আনিলে এক বিৰাট ট্ৰেজেডীৰ কৰুণ সুৰ। কবলৈ লাজ লাগে যদিও কও। এদিনাখন মই সেই ফালে এজোৰ চকুত চমক লগোৱা পোচাক পিন্ধি গৈছিলো। ছোৱালীজনীৰ লগত সেইদিনা-খন এজনী বেলেগ সমবয়সীয়া ছোৱালীও আছিল। দুয়োজনীয়ে মোৰ ফালে একেথিৰে চাই হাঁহি আছিল। ময়ো 'দেৱানন্দ'ৰ পজ দি সিহতক চেৱাই গৈ আছো এনেতে চিনাকী ছোৱালীজনীয়ে বেচ ডাঙৰকৈয়ে অৰ্থাৎ মই শুনাকৈয়ে কলে, "মণি, এইযে দেখিছ্ লৰাটো সদায় আহে, দেখিলেই মোৰ হাঁহি উঠি যায় ভাই। চেহেৰাটো চাছোন, খুব জোৰে মতাহ মাৰিলে কিজানি উৰিয়েই যাব।" তাৰ পাছতেই এটা খুলীয়া হাঁহি। কিছুমান তপত এচিদহে কাণেৰে সোমাই গ'ল এনে যেন লাগিল মোৰ। মই এক মুহূৰ্ত্তও তাত থব নোৱাৰিলো। যিমান পাৰো সিমান বেগাই সিহঁতৰ চকুৰ আৰ হোৱাটোকে মই সেই মুহূৰ্ত্তত বাঞ্ছা কৰি-ছিলো। হৰি হৰি এনেকুৱা অৱস্থাটো মানুহ পৰেনে? সেইদিনাই যি শেষ তাৰ পিছত আৰু কোনো দিন শান্তিপুৰৰ ফালে মুখেই নকৰিলো, , সিদিনাৰ পৰাই মোৰ তিৰোতা তথা নাৰী জাতিটোৰ প্ৰতিয়েই ভীষণ খং। প্ৰতিজ্ঞা কৰিলো আৰু কোনো দিন কোনো মুহূৰ্ত্ততে নাৰীক প্ৰশ্ৰয় নিদিওঁ। মোৰ প্ৰতিজ্ঞা আজি-লৈকে মই নিয়মিত ভাবে পালি আহিছো।

মোৰ এই দুৰ্দ্দমনীয় মনোভাৱৰ বাবে অৱশ্যে বহু ঠাইত বেচ লাজত পৰিবলগীয়া হৈছিলো। এবাৰ পানবজাৰৰ ৰাস্তাত হঠাতে দেখোন এজনী ছোৱালীয়ে ঘপহকৈ অভিযোগ তুলিলে। মই হেনো তেওঁক দেখিও মতা নাই। মইতো একেবাৰে নাৰ্ভাছ্। অলপ সময় মুৰ্খৰ দৰ চাই থাকি কি কলো, নিজেই, কব নোৱা-ৰিলো। পিছত গম পালো ছোৱালীজনী আমাৰ ক্লাচৰেই। মই ইফালে চিনিয়ে পোৱা নাই। পামেই বা কেনেকৈ? কেনেবাকৈ ছোৱালীৰ যাদু চাকনৈয়াত পৰো বুলিয়েই মই কোনো দিন আগৰ বেঞ্চত নবহো। কৰবাত ছোৱালী দেখিলেই পোনেই তলমুৱা হৈ পাদ ইঞ্জিন'টোত 'ফুল স্পিদ' দিওঁ। মাজে মাজে গৌৰৱ অনুভৱ কৰো নাৰী বিদ্বেষী মনটোক সংযত কৰি ৰাখিব পৰা বাবে। কিন্তু এই মুহূৰ্ত্তত মোৰ মাত্ৰ এটা চাকৰিৰে প্ৰয়োজন গতিকে নাৰীৰ কোনো প্ৰশ্নই মনত উঠিব নোৱাৰে।

জেপত বহুত পৰ খেপিয়াই বিড়ি এটা নেপালো। চিগাৰেটতো কেতিয়াবাই বাদ দিছো। মজিয়াত পৰি থকা বিড়িৰ আধাপোৰা টুকুৰা এটাকে বিচাৰি জ্বলাই ললো। অইন বহুতে কোৱাৰ দৰে বিড়িটো জ্বলাই গালে মুখে হাত দি চিন্তা কৰাৰ অভিনয় কৰিলো। লগে লগে হাতৰ তলুৱাত বহুতো বেজিৰ খোচ খাই তৎক্ষণাত হাতখন আতৰাই আনিলো। সন্তৰ্পনে গালত হাত ফুৰাই অনুভৱ কৰিবৰ চেষ্টা কৰিলো কিমান দিন দাৰি খুৰোৱা নাই। এনেতে পুৰণি বাতৰি কাকত খনত চকু পৰিল। মনত পৰিল আজি যোৱাৰ কথা আছে। এটা অফিচত কাম এটা খালি হৈছে। দৰ্খাস্ত কেতি-য়াবাই দি থৈছো। কামটো পাম বুলি মই এক প্ৰকাৰ নিশ্চিন্তই হৈ আছো। কাৰণ মোৰ বন্ধু অচিন্ত্যৰ বৰ্ত্ত-মান ডিব্ৰুগড়ৰ চাৰ ডিভিজনেল অফিচাৰ ককায়েক

সেই অফিচৰ বৰ চাহাব। কলেজত পঢ়োতে অচিন্ত্যৰ লগত কেবাদিনো সিঁহতৰ ঘৰলৈ গৈছিলো। তাতেই তেওঁৰ লগতো পৰিচয় হৈছিলো। মনটো নিশ্চিন্ত আছিল। যাহওক এই যাযাবৰ জীৱনৰ ক্ষন্তেকলৈ হলেও ওৰ পৰিব।

আঠুৱাৰ জৰিত অষ্টবক্ৰ মুণিৰ আকাৰত লাং খাই ওলমি থকা নেতেৰা পোচাক দুজোৰৰ তুলনামূলক ভাবে চাফাজোৰ পিন্ধি ললো। আইনাত মূৰটো চাই সিমান পাৰো লাহে লাহে আচুৰিলো। নহলে হয়তো ফণীৰ অৱশিষ্ট কাঠিবোৰো ভাঙি যাব পাৰে। তাৰ পাচত ভৰিৰ সেবোৰা দুটাই নিৰ্ব্বাদে ৰাজ পথৰ ধূলিৰ লগত সান্নিধ্য লাভ কৰিব পৰা চেণ্ডেলযোৰ ভৰিত সুমুৱাই দুৱাৰত তলা মাৰি ওলাই আহিলো।

সিমান পাৰো সিমান বেগাই আহি অফিচ পালোহি। প্ৰায় আধা ঘণ্টা বাৰান্দাত অপেক্ষা কৰাৰ পাচতহে বৰচাহাব দেৱতাৰ দৰ্শন লাভৰ সৌভাগ্য মিলিল। আধা ভিতৰ সোমায় নমস্কাৰ দিয়ে দেখিলো তেখেতে ভয়ানক মনোযোগেৰে কিবা কাকত এখন চাই আছে। মোৰ নমস্কাৰটো তেখেতৰ কণী ভাজিৰ পৰা খোলা সদৃশ চিকমিকিয়া চুলিহীন তালুখনেহে গ্ৰহণ কৰিলে। প্ৰায় পোন্ধৰ মিনিট সময় 'চাৰধান' পজিশ্যনত বুকু ফিন্দাই শিলৰ খুটাৰ দৰে লৰচৰ নোহোৱাকৈ ঠিয় হৈ ৰলো।

অলপ পৰৰ পাচতেই তেৰাই লাহে লাহে মূৰ দাঙিলে। মোৰ ওপৰত চকু পৰাৰ লগে লগে দেখাকৈ আকৌ এটা নমস্কাৰ দিলো। সাগৰৰ পাৰত ঠিয় হৈ পাৰ নেদেখা সাগৰৰ সিপাৰলৈ পাৰ দেখাৰ বৃথা আশাৰে চোৱা মানুহৰ দৰে দেৱতাই মোৰ ফালে উদাস নিৰ্লিপ্ত দৃষ্টিৰে চায় মৃদু ভাৱে মূৰটো জোকাৰিলে।

"আপোনাৰ কিবা দৰ্কাৰ আছিল?" কিছুসময়ৰ পাছত দেৱতাৰ কণ্ঠৰ পৰা অমৃত বাণী নিৰ্গত হল।

"হয়, মানে আপোনাৰ অফিচৰ পোষ্টৰ বাবে যোৱা শনিবাৰে দৰখাস্ত কৰিছিলো।"

'অ' সেইটোৰ বাবেতো ইণ্টাৰভিউ হ'ব। কেণ্ডি-ডেট বহুত হৈছে। কেজনমান ফাষ্ট ক্লাচ পোৱা প্ৰাৰ্থীও আছে। আপোনাৰটো বাৰু বিবেচনা কৰি চাম।"

একেবাৰে নিৰস উত্তৰ। নাই, আশা একেবাৰে কম। মুখ শুকাই গ'ল। তেখেতে চাগৈ মোক চিনিয়ে পোৱা নাই।

শেষ আশা বুকুত বান্ধি অচিন্ত্যৰ খবৰ সোধাৰ চলেৰে লাহেকৈ নিজৰ চিনাকিটো দিদিলো। হঠাতে অস্বাভাৱিক ভাবে গম্ভীৰ হৈ তেখেতে পুনৰ কাকতত মন দিলে। কিছু সময়ৰ পাছত তেখেতে কাকতৰ ওপৰত চকু দিয়েই ক'লে, "আপুনি মোৰ নিচেই চিনাকি। আপোনাৰ অনুৰোধ ৰক্ষা কৰিব পৰা হলে নিজকে ধন্য মানিলো হেঁতেন। জানেই, নহয়, আমাৰো অৱস্থা এই তাকৰিয়া দৰমহাৰে চলাই টান। ফাং ফুং অলপ নকৰিলে পেটত গাঠি দিব লাগে। এই সুযোগবোৰতেই আমাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে, বুজিছে?"

বুজিলো। তেখেতে আও পকীয়াকৈ ঘোচৰ কথাই কব বিচাৰিছে। ভিতৰি ভিতৰি মোৰ অসন্তৰ খং উঠি গ'ল। কেজনমান গৰীৱ, বেকাৰক চাকৰি দিব, তাতো সিহঁতৰ কেচা তেজ শুহিব। এয়ে কি আমাৰ দেশৰ দস্তুৰ? আমাৰ গণতন্ত্ৰ? ধিক আমাৰ স্বাধীনতা। মোৰ জেদী মনটোৱে ফেট তুলি উঠিল। বৰলৈ আৰু ধৈৰ্য্য নাথাকিল। একেকোবেই বাহিৰ ওলাই আহিলো। বাৰান্দাৰ পৰা শুনিলো, তেখেতে দেশৰ অৰ্থনৈতিক সঙ্কটৰ বিষয়ে বক্তৃতা দিয়েই আছে। বোধহয় মই ওলাই অহা গম পোৱা নাই। অলপ কৌতুক অনুভৱ কৰি ঘৰ মুখে খোজ ললো।

চাকৰি শেষত নহ'ল গৈ। নাজানো কি ক্ষণত জন্ম পাইছিলো। মই কুলক্ষনীয়া ঠিকেই। নহলে দেউতাৰ মৃত্যুৰ দুমাহৰ পাচত মোক জন্ম দিয়ে মা ধুকাব পায়নে? আৰু জেদী মনটো? তাৰ কাৰণেই বৰ্তমানে বিপদ। মামীৰ লগত কাজিয়া কৰি ইমান সুবিধা পোৱা স্বত্তেও ওলায় আহিব পাওঁনে—নহলে হয়তো ইমান দিনে চাকৰিৰ বন্দবস্ত হৈয়েই গ'ল-হেঁতেন। অৱশ্যে মই মামীৰ ক্ষেত্ৰত ঠিককেই কৰিছো।

তেওঁ মোক ইমান পৰ দৃষ্টিৰে চাবহি বা কিয়? মোৰ কিবা আত্ম সন্মান বোলা বস্তু নাইনে? এতিয়া আৰু সেইবোৰ নেভাবো। কপালত যি আছে হব।

আলি কেঁকুৰিটোৰ মূৰৰ পান দোকান খনৰ পৰা এক অনাৰ বিড়ি ললো। দোকানী লৰাটোৱে মুখখন গোমোঠা কৰি সুধিলে, "বাবু, পইচা?"

"লিখি ৰাখিবি, অহা সপ্তাহত দিম"। যথেষ্ট নিৰুত্তাপ কণ্ঠেৰে উত্তৰ দিলো।

"সদায়তো লিখিয়েই ৰাখিছো। অহা সপ্তাহ ইপিনে

বহু পাৰ হৈ গ'ল। ইফালে পাচ টকা ন অনা হ'লেই। সকলোৰে ফালনেতো এবাৰ চাব লাগে। মই কিন্তু আৰু বাকী দিব নোৱাৰিম।" ভোৰ ভোৰাই সি নিজৰ কামত মন দিলে।

তাৰ কথাত যথেষ্ট লাজ পালো। এইয়া কপালৰ দোষ নহয় কি? আজি চাকৰি এটা থকা হলে চৰ এটা মাৰি পইচা দলিয়াই দিলোহেঁতেন। কিন্তু কি কৰিম। চৰ 'কিসমত কি খেল'। জীৱনত বাৰু কেতিয়াবা শান্তি পামনে?

চন্দন দোকানীৰ সন্মুখেৰে যাওঁতে অলপ সাৱধান হলো। সিও হয়তো বাকীৰ এধাৰ টকা ছ অনাৰ হিচাপ দেখুৱাব।

"ফুকন, হেৰি ফুকন", উচপ খাই উঠিলো মাতটোৰ শুনি। হয়, ঠিক চন্দনৰে মাত। তাৰ দোকানৰ পৰা আহিছে। নুশুনা ভাও জুৰি কোবা কুৰিকৈ খোজ ললো। কিন্তু নহ'ল। তাৰ চিঞৰ ইফালে সেৰৰ গাজনিতকৈত চৰিছেহে। আলিবাটৰ মানুহেও যেতিয়া তাৰ দৃষ্টি অনুসৰণ কৰি মোৰ ফালে উভতি চাব ধৰিলে নিৰুপায় হৈ উলটি আহিলো। বুকুত চলন্ত কামান এটা লৈ তাৰ দোকানৰ ভিতৰ সোমাই গলো।

"ফুকন, আপোনাৰ এখন ৰেজিষ্টাৰি চিঠি আছে। লৈ যাওকহি।"

নিমিষতে বুকুৰ কামান বন্ধ হৈ গ'ল। মোৰ সকলো চিঠি পত্ৰ চন্দনৰ কেৰাৰতে আহে। মুখেৰে 'ধন্যবাদ' বুলি উচ্চাৰণ কৰি চিঠিখন লৈ ওলাই আহিলো।

ঘৰৰ তলাটো খুলি প্ৰথমতে কাপোৰ যোৰ সলায় ললো। তাৰ পিচত চিঠি খন হাতত লৈ বিচনাত বহি পৰিলো। মনটো অলপ চঞ্চল হৈছিল। কোনোবা চাকৰিৰ নিয়োগ পত্ৰ নহয়তো? কোনোবা সম্পাদকৰ কিবা প্ৰবন্ধ পাতি বিচাৰি লিখা চিঠিও হব পাৰে। চিঠিখন খোলাৰ আগতে প্ৰেৰকৰ নামটো চালো। গজেন কলিতা। নামটো মনত পৰা যেন লাগিল। লৰালৰিকৈ খুলিলো। খামৰ ভিতৰত দুখন চিঠি আছে। প্ৰথম খন খুলি পঢ়ি পেলালো। অকণ মান চিঠি।

কল্যাণীয়,

মৰম লবা। তোমাৰ বৰ্ত্তমান অৱস্থাৰ কথা শুনিব পাইছো। মই তোমালৈয়ে বাট চাই আছো। তোমাৰ সন্মতি পালেই চাকৰিৰ বাবে কৰ্ত্তৃপক্ষলৈ লিখিম। সিদ্ধান্ত কৰি সোনকালে খবৰ পঠিয়াবা। টকাৰ দৰ্কাৰ হলে লিখিবা।

ইতি

গজেন কলিতা।

অ' এতিয়াহে মনত পৰিছে, কমলা বাৰীৰ বিৰাট কাৰবাৰী গজেন কলিতাৰ কথা। প্ৰকাণ্ড কাঠৰ কাৰবাৰ। মোটা বেঙ্ক বেলেঞ্চ। প্ৰতিপত্তিশালী হাত দীঘল মানুহ। ছমাহ আগতে এজন বন্ধুৰ যোগেদি মোলৈ নিজৰ তিলোত্তমা সদৃশ জীয়েকৰ বিয়াৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু পিছত গম পাইছিলো, তেওঁৰ দুহিতা হেনো সিমান ভাল বস্তু নহয়। বহুতো প্ৰেমিক শিল্পীৰ বোলে হেপাহৰ 'মডেল'। ইতিমধ্যে এবাৰ মাতৃৰ ৰূপ লৈ বিশ্ব জক সকাই কলিৰ গংগাৰ দৰে নৱজাতকক ব্ৰহ্মপুত্ৰত অৰ্পণ কৰি ব্ৰহ্মস্নান কৰোৱাইছে। গাৰঁত বেয়াকৈ প্ৰচাৰ হোৱাত বিয়া দিব নোৱাৰি মোলৈও হাতোৰা মেলিছিল। চাকৰি আৰু টকাৰ লোভ দেখুৱাই। মই লগে লগে নাকচ কৰিছিলো। কিন্তু তেওঁ এতিয়াও আশা এৰা নাই। সিখন ভাজ কৰা কাকত মেলি ললো।

শ্ৰীচৰণেষু

সেৱা লব। আপোনাৰ নাম বহুদিনৰ পৰাই শুনিছো। আপোনাৰ গল্পবোৰ ইমান ভাল লাগে। মই একেবাৰে আপোন পাহৰা হৈ যাওঁ। আপোনাৰ গল্প যেন চিৰ দিনৰ বাবে পঢ়িব পাওঁ। দেউতাৰ চিঠিতো পাইছেই। আপোনাৰ চৰণত অকণি ঠাই নেপামনে? আপোনাৰ সন্মতিৰ অপেক্ষাত বালো।

সেৱিকা

মাধুৰী।

চিঠি পঢ়ি কিছুপৰ তভক মাৰি বলো। জীৱনৰ এয়া এটা অপ্ৰত্যাশিত অভিজ্ঞতা ইমান নিলৰ্জ্জ ভাবে এজনী ছোৱালীয়ে লিখিব পাৰে বুলি সপোনতো ভবা নাছিলো। ৰাহ "শ্ৰীচৰণেষু" বিয়া নৌ হওঁতেই গিৰিয়েকৰ দৰে সম্বোধন। আৰু 'চৰণত অকণি ঠাই' যেন মোকো কঠাত ভোল যোৱা মানুহ যেন পাইছে। অলপ পৰ মই মৌন হৈ বলো। এটা সময়ত মই ভাবি পেলালো, এয়াইতো সুযোগ। মোৰ যাযাবৰ জীৱনৰ ওৰ পেলাবলৈ এইটো এটা স্বৰ্ণ সুযোগ। সুযোগ হেনো বামধেনুৰ দৰে ৰঙীন কিন্তু ক্ষণস্থায়ী। পিচে এই সুযোগ গ্ৰহণ কৰা মানেই যে মোৰ মান সম্ভ্ৰম, আত্মসন্মান সকলো জলাঞ্জলি দিয়া। কোনটো কৰিম?

এফালে নিজকে সম্পূৰ্ণ ভাবে বিসৰ্জ্জন দিয়া আনফালে প্ৰতিষ্ঠা লাভ । অইনৰ সহায় নোলোৱাকৈও নিজক প্ৰতিষ্ঠা কৰিব নোৱাৰিমনে ? কিন্তু পাৰিলো ? ক'ত! পদে পদে দেখোন বিফলতাকে পালো । কিন্তু মোৰ প্ৰতিজ্ঞা ? জাহান্নামে যাওক মোৰ প্ৰতিজ্ঞা । নতুন মটৰত উঠি ফুৰিবলৈ পালে নিজৰে হাঁহি উঠিব মোৰ প্ৰতিজ্ঞাৰ কথা ভাবি । কিন্তু তেনেকৈ ম'ই হয়তো প্ৰতিষ্ঠিত হব পাৰিম পিচে মোৰ সমনীয়া হতেই বা কি ভাবিব! আৰু মোৰ ব্যক্তিত্ব, ডিগ্ৰী ? ধ্বংস হওক ।

মোৰ ব্যক্তিত্ব । এই সুযোগ মই কেতিয়াও এৰি দিব নোৱাৰো । কি কৰিব মোৰ সমনীয়াহঁতে ? সিহঁত মোৰ কিমান আপোন ? যদি আপোনেই তেন্তে মোৰ এনে অৱস্থাত সিহঁতে মোক কিঞ্চিতো সহায় নকৰিলে কিয় ? আৰু ডিগ্ৰী ধিক মোৰ ডিগ্ৰী । এটা সামান্য চাকৰিয়ে যি ডিগ্ৰীয়ে মোক যোগাৰ কৰি দিব নোৱা-বিলে, তেনে ডিগ্ৰী মোৰ বাবে তেনেই মূল্যহীন । নাই। এই সুযোগ মই কেতিয়াও এৰি দিব নোৱাৰো । মোক জীৱনৰ পূৰ্ণতা লাগেই । তাৰ বাবে যিমানেই অপবাদ নেপাও লাগে, মই মূৰ পাতি লবলৈ সাজু । কলমটো হাতত লৈ কাগজ এখন টানি ললো । প্ৰথমতে কি লিখিম বাৰু ! ভাষা দেখোন বিচাৰিয়েই পোৱা নাই। মই বুকুৰ ভিতৰত এটা অস্পষ্ট কপনি অনুভৱ কৰিছো। মই ভয় কৰিছো নেকি ? নিশা আৰু পূৰবীৰ কথা মনত পৰাত মই ভয় খোৱা নাই নিশ্চয় । মই প্ৰতিজ্ঞা লংঘন কৰি আপোন কৰি লোৱা মাধুৰীয়েও যদি মোক ''প্ৰতাৰণা কৰে ! কিন্তু কিয় কৰিব ? মই তাইৰ নমস্য স্বামী দেৱতা নহয় নেকি ? তাইৰ চৰিত্ৰ অৱশ্যে বেয়া। যদি মই মাধুৰীৰ ক্ষেত্ৰতো পূৰবীৰ ঘৰত শেষ দিনা দেখা দৃশটো দেখা পাওঁ তেতিয়া ? নাই, এইটো কেতিয়াও হব নোৱাৰে, মই যেন চিঞৰি দিম । মোৰ বুকুখন থৰ থৰকৈ কপিছে। কলমটো এটুকুৰা জুইৰ তাপত বঙা হৈ থকা লো যেন লাগিছে ..।

আস....। মই কলমটো হাতৰ পৰা এৰি দিলো । সন্মুখৰ কাগজখন মোৰ কোধোবা পাতি থকা এডাল ডাইল সাপ যেন লাগিছে । একে জাপে মই পিছুৱাই আহিলো ......।

O O O O

এবছৰ আগতে ভৰা কথাবোৰ মোৰ আজি কিয় মনত পৰিছে কব নোৱাৰো । সেইবোৰে এই মুহূ-ৰ্ত্তত মোক বৰকৈ আঘাত কৰা যেন লাগিছে । মোৰ সন্মুখত এইয়া হেজাৰ হেজাৰ বস্তা ধান, মাহ বিভিন্ন বস্তু । তাৰ ভিতৰত যে বহুত নিষিদ্ধ পণ্যও নাই কোনে কব । কিন্তু মোৰ সেইবোৰ চোৱাৰ অধিকাৰ নাই । এৰা অধিকাৰ । মোৰ মালিকৰ মানা । মোৰ কাম মাত্ৰ সেইবোৰ হিচলি কৰা ; ঠিক ঠিক ঠাইত থোৱা আৰু সময়মতে হিচাব কৰি সেইবোৰ উলিয়াই দিয়া । মাজে মাজে বস্তাবোৰে মোক হেচি ধৰা যেন লাগে কিন্তু মই নমৰো । কাৰণ মই জানো সেইবোৰ মোৰ অলীক কল্পনা । চমন লাল চান্দিলালৰ দোকানত মই এতিয়া কাম কৰি আছো । অৰ্থাৎ গোলামী কৰিছো। গুদাম মহৰী । দৰমহা এশ পঞ্চাশ টকা । ভালকৈয়ে চলি আছো । মোৰ মান সন্মান এতিয়া আৰু মোৰ লগত নাই । মালিকৰ গালিৰ লগতে সেইবোৰো হজম কৰিছো । বিয়া এতিয়াও কৰোৱা নাই

যেতিয়া প্ৰতিজ্ঞাটো মোৰ লগতেই আছে। নাৰী বা প্ৰেমৰ নামত এতিয়া আৰু ভয় নাখাওঁ । কাৰণ বহু পলমকৈ হলেও এতিয়া উপলব্ধি কৰিছো টকাৰে আজি কালি প্ৰেম কিনিব পাৰি বুলি । নাৰী দেখিলে আজি কালি তৰমুৰা নহওঁ বৰং ভাবো তাইৰ দেহটো উপভোগ কৰিবলৈ কিমান টকাৰ দৰ্কাৰ হব। পজিশ্যন লৈ এতিয়া মই মূৰ নঘমাওঁ । নাজানো মোৰ ইমান পৰিবৰ্ত্তন কেনেকৈ হ'ল । কিন্তু আজি মই অনুশোচনা কৰিছো এবছৰ আগৰ এই দিনটোতেই গজেন কলিতাৰ চিঠিখনৰ মূল্যবোপ নকৰি অপ্ৰত্যাশিত ভাবে ডাঙৰ সুযোগ এটা নষ্ট কৰা বাবে । তথাপি মোৰ সিমান আফচোছ নাই। তেনেকুৱা সুযোগ আকৌ আহিব মাজে মাজে নিশাহঁতৰ কথা মনত পৰে। মনত পৰিলেই প্ৰথম দিনা মদ খাই নৰ্দ্দমাত বেহুচ হৈ পৰি থকা মানুহৰ স্মৃতিটোৰ দৰে পুনৰ পাহৰি যাওঁ । কেতিয়াবা মালিকৰ গালি খালে মই পাহৰি যাওঁ যে এজন মাষ্টাৰ ডিগ্ৰীধাৰী ভদ্ৰলোক ।

ডিগ্ৰীৰ কথা মনত পৰিলে তেতিয়া মই অট্টহাস্য কৰো, কিন্তু আজি মই জোৰকৈও ভাবি স্থিৰ কৰিব পৰা নাই । মোৰ জন্মৰ পৰা আৰম্ভ হোৱা যাযাবৰ সঙ্গীতৰ প্ৰকৃতত ওৰ পৰিব নে নাই ? যদি পৰা নাই কাহানিকৈ পৰিব !!

ধুমুহা। বাহিৰত ভীষণ ধুমুহা বতাহ বলিছে। লগে লগে লানি নিছিগা বৰষুণে পৃথিবীক সাগৰ কৰিবৰ উপক্ৰম কৰিছে। মাজে মাজে বিজুলীৰ চিক-মিকনিয়ে যেন ধুমুহা বৰষুণক পথ দেখুৱাই দিয়ে পৃথিবীলৈ আহিবলৈ। আকৌ বিজুলী চেৰেকণিয়ে যেন সাৱধান কৰি দিয়ে পৃথিবীক প্ৰস্তুত হবলৈ। ধুমুহা আৰু বৰষুণে মিলি পৃথিবীলৈ আনিব প্ৰলয়, তাৰ পিছত ন পাতনি মেলিব নতুনৰ।

কোনোবাই দুৱাৰত টুকুৰিওৱা শব্দ। বকুৱা অলপ আচৰিত হয়। তেওঁ এইবাৰ সজাগ হৈ উঠে। বিচনাৰ পৰা উঠি লাইটটো অ'ন কৰি নাইট গাউনটো পিন্ধি লয়। ইজিচেয়াৰ খনত ক্ষন্তেক বহি পুনৰ অপেক্ষা কৰে অচিনাকী মাতটিলৈ।

ইতিমধ্যে ঘৰৰ আন সকলোটি প্ৰাণী শুই নিঃপালি দিলে। সকলোটি প্ৰাণী মানে মিচেচ বৰুৱা আৰু তেওঁলোকৰ লৰাছোৱালী হাল-গান আৰু জুবি।

বাহিৰত বৰষুণৰ মাত্ৰা ক্ৰমান্বয়ে বেচি হব ধৰিছে। বতাহৰ সো সোঁৱণিত ধৰণী কপি উঠিছে এক অজান আশঙ্কাত।

# শলিতা নীৰবে জ্বলে

—জ্যোতিৰ্ময়ী চৌধুৰী
৩য় বাৰ্ষিক কলা

প্ৰকৃতিলৈ বসন্ত নামিছে। নওঠা দৈত্যাকায় গছবোৰতো দুটা এটা সৰু সৰু কুহি পাতে দেখা দিছে। কিছুদিন পিছতে বসন্তই পূৰ্ণালঙ্কাৰেৰে প্ৰকৃতিক সু-সজ্জিত কৰি তুলিব। প্ৰকৃতিয়ে হয়তো তাৰেই অপেক্ষা কৰিছে।

কিন্তু প্ৰকৃতিৰ এই পূৰ্ণ প্ৰস্তুতিৰ মুহূৰ্ত্ততযে এনে প্ৰলয়ঙ্কৰ ধুমুহা বৰষুণে বসন্ত প্ৰকৃতিলৈ নামি অহাৰ সাৰ্থকতা নাইকিয়া কৰি পেলাব।

"বাবু! বাবু। বাবু!"

বাহিৰৰ বাৰান্দাত সেয়া কাৰ ভৰিৰ শব্দ? বতাহৰ লগত সেয়া 'বাবু' 'বাবু' শব্দটো ক'ৰ পৰা ভাহি আহিছে। এয়া কোনো দৈত্য দানৱৰ দুষ্টালি নহয়তো। এই ভয়লগা ৰাতি ১১।১২ বজাত, ভীষণ ধুমুহা বৰষুণৰ মাজত মানুহৰ আগমন সাধাৰণ কথা নহয়। নিদ্ৰা-দেৱীৰ অপেক্ষাৰত আদ বয়সৰীয়া পঙ্কিল বৰুা সচকিত হৈ উঠে।

"বাবু। বাবু! বাবু!

বাহিৰত পুনৰ সেই একেই কণ্ঠস্বৰ। মৃদু ভাৱে

বাবু! বাবু! বাবু ......

নাই। আৰু পলম কৰিব নোৱাৰি। নিশ্চয় এই ঘোৰ অমানিশা আশ্ৰয় বিচাৰি কোনোবা পথিকে দুৱাৰ দলিত অপেক্ষা কৰিছে। তেওঁ নিঃশব্দে গৈ দুৱাৰখন খুলি দিলে। এজাক বৰষুণৰ চিটিকণি আৰু বতাহৰ লগতে এজন অচিনাকী মানুহ ভিতৰলৈ সোমাই আহিল। লগে লগে মানুহজনে নিজেই দুৱাৰৰ চিট্‌কিণিডাল ভিতৰৰ পৰা লগাই দিলে।

পঙ্কিল বৰুৱাই ইতিমধ্যে নীৰৱে ক্ষন্তেকতে মানুহ জনক নিৰীক্ষণ কৰিলে। তাৰ গাত আছিল খাকী ৰঙৰ হাফপেণ্ট এটা আৰু ফটাচিটা সম্ভৱতঃ বগা ৰঙৰ কামিজ এটা। মুখৰ একাংশেৰে মুৱত আছিল এখন ৰুমাল বন্ধা। গালত চুটি চুটি ডাড়ি। বোধ হয় চুলিবোৰো আছিল সাধৰণ মানুহৰ চুলিতকৈ কিছু দীঘল।

ভৰিত এযোৰ সাধাৰণ চেন্দেল আৰু হাতত আছিল বৰষুণত তিতা এটা সৰু কাপোৰৰ টোপোলা। তাৰ মনটো যেন বৰ চঞ্চল আৰু উদ্বিগ্ন। চকুত এটা ভয় ভয় ভাৱ।

মানুহজনে নিঃশব্দে বৰুৱাৰ কাষলৈ আগুৱাই আহি দীঘলদি পৰি সেৱা কৰিলে।

বৰুৱাৰ মনৰ পৰা ভয়ৰ ভাব আঁতৰি গ'ল। এই ধুমুহাৰ ৰাতি অচিনাকী মানুহজনৰ অচিনাকী ভাৱ-ভঙ্গীয়ে তেওঁক আচৰিত কৰি তুলিলে।

তেওঁৰ কৌতূহল বাঢ়ি গ'ল। লগে লগে তেওঁ মানুহজনক ভালকৈ নিৰীক্ষণ কৰি বিস্ময় মানিলে। বহুদিন, বহুবছৰ আগেয়ে তেওঁ যেন তাক কৰবাত দেখিছে। বহুতো চিন্তাই তেওঁৰ মন আকাশখন তোল-পাৰ লগালে। তথাপি নিজকে যিমানখিনি পাৰে সংযত কৰি লৈ তিতাঁ কাপোৰ সালাৰ নেকি-তেওঁ প্ৰশ্ন কৰিলে।

মানুহজনে প্ৰথমবাৰৰ বাবে কথা আৰম্ভ কৰিলে।

"নাই বাবু, মোক একোৰে প্ৰয়োজন নাই। ৰাতিটোৰ বাবে আশ্ৰয় বিচাৰি মই অহা নাই। এই নিশা মই আহি আপোনাৰ যথেষ্ট ক্ষতি কৰিছো। কিন্তু আজি ৰাতিটোৰ বাদে মোৰ যে আৰু সময় নাই। আপুনি বোধহয় মোক চিনিব পৰা নাই।"

"ওঁ তোমাৰ নাম কি? ক'ত থাকা? কিয় আহিলা?"

"বাবু, মোৰ নাম ৰণজিত মালী। আপোনাৰ সেই তাহানিৰ ....।" কথাখিনি কৈয়েই সি মাটিতে লেপেট খাই বহি পৰিল।

বৰুৱা পুনৰ বিস্মিত হ'ল। এই ধুমুহাই যেন তেওঁলৈ নিশাটোৰ বাবে বহুতো কিবাকিবি কঢ়িয়াই আনিছে। তেওঁ আচৰিত হ'ল। অবাক হ'ল। লগে লগে তেওঁৰ কৌতূহল দুগুণে বাঢ়ি গ'ল। পাহৰি গ'ল তেওঁ ৰাতিৰ গভীৰতাৰ কথা। চকুৰ পতাৰ পৰা নিদ্ৰাদেৱী আতৰি গ'ল। তাৰে ঠাইত এটা কথাই তেওঁৰ মনৰ মাজত লুকাভাকু খেলিব ধৰিলে। বিজুলীৰ চিকিমিকিৰ নিচিনা তেওঁৰ এই মুহূৰ্ত্তত শেষ হোৱা পূৰণি জীৱন ইতিহাসৰ এটা অধ্যায়ে মন আকাশখন চিকমিকাই তুলিলে। সেই চিকমিকনিত উদয় হ'ল কেইবাবছৰো আগৰ এটি সৰু ঘটনা।

পঙ্কিল বৰুৱা তেতিয়া বিদেশৰ পৰা উভতি আহি ডিগবৈ তেল কোম্পানীৰ এজন নৱনিযুক্ত উচ্চ পদস্থ বিষয়া। অবিবাহিত পঙ্কিল বৰুৱাৰ প্ৰকাণ্ড চোহদটো পৰিপূৰ্ণ হৈ আছিল তেওঁৰ ড্ৰাইভাৰ, মালী আৰু অৰ্ডালিৰে। এই সকলোবোৰৰ ভিতৰত তেওঁৰ আটাইতকৈ প্ৰিয় আছিল আজিৰ এই ৰণজিত মালী। ৰণজিত অকল মালীয়েই নাছিল। বৰুৱাৰ আন যাৱতীয় সকলো কামকে সি আগ্ৰহেৰে, সুকলমে সমাধা কৰি গৈছিল। খোজত সহীন, কামত নিপুণ, চকুত সদায় কৰুণ দৃষ্টিৰে মালী হলেও সি যেন আছিল আন সকলোতকৈ বেলেগ, সকলোতকৈ ভাল আৰু সকলোতকৈ ভদ্ৰ।

বৰুৱাৰ দৃষ্টি সি সহজেই আকৰ্ষণ কৰিব পাৰিছিল। তেওঁ তাক মৰম কৰিছিল। ৰণজিতে সেই মৰমৰ সঁহাৰি দিছিল কামেৰে। এনেদৰে বহু দিন পাৰ হৈ গৈছিল।

এদিন। এটা সুন্দৰ শৰতৰ গধূলি। হঠাতে দুজন চি আই ডি আহিল পঙ্কিল বৰুৱাৰ চোহদলৈ। তেওঁলোকে বৰুৱাৰ ঘৰত কাম কৰা মানুহ কেইজনৰ বিচাৰ ললে। বৰুৱাই বিৰক্তি বোধ কৰিলে। কিন্তু তেওঁ অলপ আচৰিত হ'ল, যেতিয়া চি আই ডি দুজনে বাৰে বাৰে ৰণজিত মালীৰ পৰিচয় বিচাৰিলে।

পঙ্কিল বৰুৱাই কোনো কথাৰ উত্তৰ নিদি বিৰক্তিৰে ৰণজিত মালীক মাতি পঠিয়ালে। কিন্তু ৰণজিতৰ কোনো উমান পোৱা নগ'ল। চি, আই, ডি অহা গম পায়েই বোধকৰো সি অন্তৰ্দ্ধান হ'ল।

বৰুৱাই একো বুজিব নোৱাৰিলে বুজিবলৈ চেষ্টাও নকৰিলে। চি আই ডি দুজনেও তেওঁক একো নকলে। কিছু সময় অপেক্ষা কৰি পিছ দিনাখন অহাৰ প্ৰতিশ্ৰুতি দি তেওঁৰ ওচৰত ক্ষমা খুজি বিদায় ললে।

কিন্তু ৰণজিতৰ সেইদিনাৰ পৰা একো খবৰ পোৱা নগ'ল। বৰুৱা অলপ আচৰিত হ'ল। যিজন মালীয়ে ইমান দায়িত্ব জ্ঞান বুজিছিল, যিজনক তেওঁ মৰম আৰু বিশ্বাস কৰিছিল সেইজন মালীক বিচাৰি চি, আই, ডি অহা আৰু সেই ৰণজিত মালীৰ নিৰুদ্দেশ হোৱা সচাঁই বিস্ময়কৰ কথা। অকল তেওঁৱেই নহয় ৰণজিত মালীৰ যি দুই এজন বন্ধু আছিল সিহঁতেও বিস্ময় মানিলে ৰণজিতৰ এই আচৰিত কাৰ্য্যত।

লাহে লাহে ৰণজিতৰ সলনি নতুন মালী আহিল। ৰণজিতৰ বন্ধু দুজনেও আৰু ৰণজিতৰ কথা নুলিওৱা